www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, OCTOBER 17, 2024 ■ বৃহস্পতিবাৰ।। ৩০ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৮৩ Guwahati, Assam ।। মূল্যঃ এটকা

‘তুলসীৰ তলে’
## আজি কাতি বিহু
**ই-সংবাদ, ১৬ অক্টোবৰঃ** সমগ্ৰ ৰাজ্যৰ গ্ৰামাঞ্চলৰ পথাৰে পথাৰে এতিয়া বিয়পি পৰিছে সজল ৭ পৃষ্ঠাত চাওক

## হিমন্ত বিশ্বই ৰসাতলে নিলে অসমক! ৰিপুণৰ অভিযোগ
# ২৬ হাজাৰ কোটি কাৰ জেপত সোমাল?

**ই-সংবাদ, ১৬ অক্টোবৰঃ** ৰাজ্যখনৰ মূলধনী ব্যয় শিতানত ২০২২-২৩ বিত্ত বৰ্ষত মাত্ৰ ১৫ শতাংশ ধন ব্যয় হৈছে। ইয়াৰ বিপৰীতে ৮৪.৮৮ শতাংশ ধন ব্যয় হৈছে উন্নয়ন বৰ্জিত ৰাজহ শিতানত। অৰ্থাৎ অসমৰ দক্ষ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চৰম বিত্তীয় সংকটৰ বাবে উন্নয়নমূলক কাম-কাজ বন্ধ কৰিবলৈ বাধ্য হৈছে। আজি এক সংবাদমেলত এই ভয়ংকৰ অভিযোগ উত্থাপন কৰিছে প্ৰাক্তন মন্ত্ৰী, জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰিপুণ বৰাই। বৰাই কয় যে হিতাধিকাৰী আৰু অন্যান্য শেষাংশ ৪ পৃষ্ঠাত

## অসম চুক্তি আৰু অনুপ্ৰৱেশ
■ শোণিত কুমাৰ গোস্বামী

শাণিত কলম



অসম চুক্তি সম্পৰ্কত কম বেছি পৰিমাণে সকলো অসমীয়াৰে অলপ হ’লেও জ্ঞান আছে। এই জ্ঞান বা কম-বেছি পৰিমাণে জনাটো কিমান প্ৰজ্ঞা সেয়া অৱশ্যে জানিব পৰা নাযায় কিয়নো সাধাৰণ শেষাংশ ৩ পৃষ্ঠাত

ভয়মুক্ত, নিকা নিৰ্বাচনৰ দাবী
## কংগ্ৰেছে সাক্ষাৎ কৰিলে ডিজিপি, মুখ্য নিৰ্বাচনী বিষয়াক
**গুৱাহাটী, ১৬ অক্টোবৰঃ** উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ দিনাই চামগুৰিত সংঘটিত হিংসাত্মক ঘটনাক গৰিহণা দি সমগ্ৰ বিষয়টো তদন্ত কৰাৰ দাবী জনাই আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ এটা প্ৰতিনিধি দলে শেষাংশ ৩ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীৰ ব্লকৰ কাষৰ ব্লকতে দুৰ্নীতিৰ অবাধ বেহা
ঘোঁচখোৰ আবকাৰী বিষয়াক গ্ৰেপ্তাৰ

**ই-সংবাদ, ১৬ অক্টোবৰঃ** মুখ্যমন্ত্ৰীয়ে কথাই প্ৰতি দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ কথা যিমানেই কৈ নাথাকক কিয় বাস্তৱত কিন্তু অসমৰ প্ৰশাসনৰ বৰঘৰতে শেষাংশ ৫ পৃষ্ঠাত



## ৰাহুল গান্ধীৰ উপস্থিতিত শপত ল’লে ওমৰে
**শ্ৰীনগৰ, ১৬ অক্টোবৰঃ** সম্পূৰ্ণ দহ বছৰীয়া প্ৰতীক্ষাৰ অন্তত অৱশেষত জম্মু-কাশ্মীৰত পুনৰ গঠন হ’ল চৰকাৰ। শেহতীয়া বিধানসভা নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ পিছত বুধবাৰে শেষাংশ ৪ পৃষ্ঠাত

ফণীবিহীন বঙাইগাঁৱক ধৰি ৰখাৰ চেষ্টা অতুল-কেশৱৰ
## নামনিত অস্তিত্বৰ সংকটত অগপ
**ই-সংবাদ, ১৬ অক্টোবৰঃ** চৰকাৰ চলাই থকা বিজেপি দলৰ দুই সহযোগী দল ইউপিপিএল আৰু অগপেও উপ-নিৰ্বাচনক লৈ তৎপৰ হৈছে। খালী হোৱা পাঁচটা সমষ্টিৰ ভিতৰত এটা সমষ্টি অগপৰ ভাগত পৰিছে। অগপৰ প্ৰতিষ্ঠাকলৰ নেতা তথা বঙাইগাঁৱৰ অষ্টমবাৰৰ বিধায়ক ফণীভূষণ চৌধুৰীয়ে যোৱা লোকসভা নিৰ্বাচনত বৰপেটা সমষ্টিৰ পৰা জয়ী হৈ দিল্লীলৈ যোৱাৰ পাছৰে পৰা খালী হৈ পৰা শেষাংশ ৬ পৃষ্ঠাত

আহত লিংকমেন ৰাহুল
## অ’এনজিচিৰ বিষয়াক অপহৰণৰ প্ৰয়াস বিফল
**ই-সংবাদ, শিৱসাগৰ, ১৬ অক্টোবৰঃ** ৰাহুল হাজৰিকা নামৰ আলফাৰ লিংকমেন এজন আৰক্ষীৰ গুলীত আহত হোৱা ঘটনাৰ লগতে কিদৰে লিংকমেনজনে অ’এনজিচিৰ বিষয়াক অপহৰণৰ শেষাংশ ৭ পৃষ্ঠাত



জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণৰ মুহূৰ্তত ওমৰ আব্দুল্লা

## হাতত সংবিধান লৈ আজিৰে পৰা ন্যায়ৰ দেৱীয়ে চকু মেলি চাব দেশ
অতীত হ’ল ‘ন্যায়ৰ দেৱী অন্ধ’ বুলি কোৱা কথা

**নতুন দিল্লী, ১৬ অক্টোবৰঃ** আগতে কোৱা হৈছিল ন্যায় ব্যৱস্থা অন্ধ। আদালতত চকুত ক’লা কাপোৰ মেৰিয়াই হাতত তৰজু লৈ থিয় হৈ থকা ন্যায় দেৱীৰ মূৰ্তিটোৰে যেন মান্যতা শেষাংশ ৭ পৃষ্ঠাত




সফল কৰিবলৈ নিৰ্দেশ
## ‘ভাষা গৌৰৱ সপ্তাহ’ পালনক লৈ মুখ্যমন্ত্ৰীৰ বৈঠক
**ই-সংবাদ, ১৬ অক্টোবৰঃ** অসমীয়াক ভাষাক ঐতিহাসিক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াত উৎসাহী অসম চৰকাৰ। আইৰ মুখৰ ভাষাটোক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াত অসম চৰকাৰে বিশেষ শেষাংশ ৪ পৃষ্ঠাত

## ‘লখিমীজান’ নে ‘মিঞাজান’! পৌৰ নিগমৰ হস্তক্ষেপ

# মহানগৰীৰ হাতীগাঁৱৰ এখন ঠাইক লৈ হঠাৎ বিতৰ্ক

**ই-সংবাদ, ১৬ অক্টোবৰঃ** নিশাৰ ভিতৰতে গুৱাহাটীৰ এখন ঠাইৰ নাম সলনি কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মহানগৰীৰ হাতীগাঁৱৰ উত্তৰ নটবমাৰ এখন ঐতিহাসিক ঠাইৰ নাম সলনি কৰাৰ অভিযোগৰ পাছতে গুৱাহাটী পৌৰ নিগমে হস্তক্ষেপ কৰিবলগীয়া হয়। হাতীগাঁৱৰ উত্তৰ নটবমাৰ ‘লখিমীজান’ক ‘মিঞাজান’ ৰূপে নামাকৰণ কৰা বুলি প্ৰচাৰ চলাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। হাতীগাঁও আৰক্ষী থানা এলেকাৰ লখিমীজানৰ নাম সলনি কৰা হয় বুলি প্ৰচাৰ চলে। মিঞাজান নগৰ ৰূপে নামকৰণ কৰা বুলি অভিযোগ উঠে। জানিব পৰা মতে, হাতীগাঁৱত সন্দেহজনক নাগৰিক সন্দৰ্ভত দক্ষিণ জনকপুৰ নাগৰিক সমিতিয়ে অভিযোগ দিছিল গুৱাহাটী পৌৰ নিগমক। জাৰ্ণেলিষ্ট কলনীৰ সমীপত ‘মিঞাজান নগৰ’ৰ ফলক লগাইছিল কোনো লোকে। মছজিদ সংযোগী পথত লখিমীজানৰ ঠাইত ‘মিঞাজান’ ফলক লগোৱা বুলি দাবী কৰিছিল জনকপুৰ নাগৰিক সমিতিয়ে। কিন্তু পুৱাই পৌৰ নিগমে উক্ত ফলক ভাঙি পেলায়। স্থানীয় জামে মছজিদৰ সমিতিয়ে ঘটনাক ধিক্কাৰ দি এয়া ষড়যন্ত্ৰ আখ্যা দিয়ে। মছজিদ সমিতিৰ সভাপতিগৰাকীয়ে কয় যে সেই এলেকাত ২৭ বিঘা মাটি আছে। ১৯৯০ চনত এইসকল লোকে ভূমি ক্ৰয় কৰি ঘৰ নিৰ্মাণ কৰিছে। ভূমিখিনিৰ প্ৰকৃত গৰাকীৰ নাম আছিল মিঞাজান। ‘মিঞাজান’ নামৰ ব্যক্তিজন ছয়গাঁৱৰ বিধায়ক ৰেকিবুদ্দিন আহমেদৰ আজোককাক। ৰেকিবুদ্দিন আহমেদৰ পৰিয়ালে মাটি বিক্ৰী কৰি নব্বৈৰ দশকত অন্য ঠাইলৈ যায়। ভূমি ক্ৰয় কৰি ঘৰ নিৰ্মাণ কৰা লোকসকলে সেই অঞ্চলটোৰ নাম দিয়ে ‘মিঞাজান’। তেতিয়াৰে পৰা অঞ্চলটো ‘মিঞাজান নগৰ’ হিচাপে পৰিচিত। কিন্তু লখিমীজানৰ সৈতে মিঞাজানৰ কোনো সম্পৰ্ক নাই বুলি কয় একাংশ লোকে। উত্তৰ নটবমা হাতীগাঁৱৰ অংশ। একাংশ লোকে দাবী কৰা মতে, হাতীগাঁৱৰ সৈতে লখিমীজান সংযুক্ত হৈ থকা নাই। দুষ্টচক্ৰই মিঞাজানৰ সৈতে লখিমীজানক সংযুক্ত কৰি অঞ্চলটোৰ বিষয়ে অপপ্ৰচাৰ চলাই সম্প্ৰীতি বিনষ্ট কৰিব বিচাৰিছে বুলি অভিযোগ উঠিছে। ঘটনাটোক লৈ ছ'চিয়েল মিডিয়াতো চৰ্চা চলা দেখা গৈছে।



# আকাশ বন্তিৰে উজলি উঠিব মাজুলীৰ আউনীআটি সত্ৰ

**ই-সংবাদ, মাজুলী, ১৬ অক্টোবৰঃ** কাইলৈ কাতি বিহু, অসমীয়াৰ বাপতি সাহোন তিনিটা বিহুৰ অন্যতম বিহু কাতি  উদযাপনক লৈ ব্যস্ত প্ৰতিজন অসমীয়া। কাতি মাহটো অসমীয়াই এটা পবিত্ৰ মাহ হিচাপে গণ্য কৰে। কৃষকৰ সপোনৰ খেতিডৰা এতিয়া গেঁৰ ধৰিছে। চোতালৰ তুলসীজোপাৰ তলত চাকি জ্বলাই ঐশ্বৰ্য, সমৃদ্ধিৰ দেৱী লক্ষ্মীক প্ৰাৰ্থনা জনাব সমগ্ৰ ৰাজ্যবাসীয়ে। শস্য শ্যামলা পথাৰখন লখিমীৰে ওপচি পৰাৰ কামনাৰে ধাননি পথাৰত চাকি জ্বলোৱাৰ লগতে সমাজৰ পৰা অসূয়া-অশান্তি দূৰ হোৱাৰ লগতে পোক-পতংগৰ পৰা খেতিডৰা ৰক্ষা কৰাৰ উদ্দেশ্যেৰে অতীজৰে পৰা পৰম্পৰাগতভাৱে কঙালী বিহু পালন কৰি অহা হৈছে। ইয়াৰ লগত সংগতি ৰাখি ভঁৰাল ঘৰ, গোহালি ঘৰ, তামোল-নাৰিকল আদি গছৰ তলতো প্ৰতিঘৰ অসমীয়াই চাকি-বন্তি জ্বলাব। মাজুলীবাসীয়েও কাতি বিহু উদযাপন বাবে ব্যস্ত হৈ পৰিছে। মাজুলীৰ সত্ৰ অনুষ্ঠানৰ লগতে গাঁওসমূহতো কাতি বিহু উদযাপন বাবে সাজু হৈ উঠিছে। ঘৰে,ঘৰে তুলসী ভেটি নিৰ্মাণ কৰি তুলসী তলত চাকি জ্বলাই উদযাপন কৰিব বিহু। মাজুলীৰ ঐতিহাসিক আউনীআটি সত্ৰত প্ৰতিষ্ঠা কালৰে পৰা কাতি বিহু দিনা ২১ যোৰা বন্তি প্ৰজ্বলন কৰি বিহু উদযাপন কৰি আহিছে। সত্ৰখনত প্ৰতিষ্ঠা কলৰে পৰা ৩৭১ বছৰীয়া পৰম্পৰা ৰক্ষা কৰি এইবাৰো সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱ গোস্বামী ,ডেকাধিকাৰ মুখ্যে বৈষ্ণৱ সকলে ২১ যোৰা বন্তি প্ৰজ্বলন কৰি সত্ৰখনৰ বৈষ্ণৱৰ লগতে বিশ্ববাসীৰ সুখ শান্তিৰ কামনা কৰিব। আলোকিত হ'ব আকাশ। ইতিমধ্যে সত্ৰখনত আকাশ বন্তি স্থুলী সাজু কৰি তোলা হৈছে।পুৱাৰ পৰা বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰাৰ লগতে কাইলৈ সন্ধ্যালৈ বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ন কৰিব। এনেদৰেই মূল্যবৃদ্ধিকে আদি কৰি একাধিক সমস্যাৰ মাজতে অসমীয়াৰ জাতীয় জীৱনৰ অন্যতম কঙালী বিহু উদযাপন কৰিব মাজুলীবাসীয়ে।

## ভিত্তিবৰ্ষ ৭১ নে ৫১!

# আজি সৰ্বোচ্চ আদালতে দিব মহাসংঘৰ গোচৰৰ ৰায়

**ই-সংবাদ, ১৬ অক্টোবৰঃ** বহু প্ৰতীক্ষাৰ অন্তত কাইলৈ উচ্চতম ন্যায়ালয়ে প্ৰদান কৰিব এক ৰায়। এই ৰায় হৈ পৰিব পাৰে অসমৰ বাবে বিশেষ। অসম সন্মিলিত মহাসংঘই চলাই থকা গোচৰৰ ৰায়দান প্ৰদান কৰিব মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ে। নাগৰিকত্ব আইন ১৯৫৫ৰ ৬-এ ধাৰা সন্দৰ্ভত মহাসংঘই চলাই থকা গোচৰৰ ৰায় দিব উচ্চতম ন্যায়ালয়ে। নাগৰিকত্ব আইন ১৯৫৫ৰ ৬-এ ধাৰাক প্ৰত্যাহ্বান জনোৱা আবেদনক লৈ দিব ৰায়। ১৯৭১ চনৰ পৰিৱৰ্তে অসমতো নাগৰিকত্ব ভিত্তি বৰ্ষ ১৯৫৫ কৰাৰ প্ৰত্যাহ্বান জনাই অসম সন্মিলিত মহাসংঘই তৰিছিল গোচৰ। অসম সন্মিলিত মহাসংঘ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে দাখিল কৰিছিল আবেদন। অসমৰ নাগৰিকত্বৰ ভিত্তিবৰ্ষ ১৯৫১ নে ১৯৭১ হ'ব এয়া স্পষ্ট হ'ব। ২০২৩ চনৰ ১২ ডিচেম্বৰত ৫ জনীয়া বিচাৰপীঠে সংৰক্ষিত কৰি ৰাখিছিল গোচৰৰ ৰায়। আৰু বৃহস্পতিবাৰে ভিত্তিবৰ্ষৰ সন্দৰ্ভত চূড়ান্ত ৰায়দান দিব উচ্চতম ন্যায়ালয়ে। যাৰ বাবে কাইলৈৰ দিনটো অসম আৰু অসমীয়াৰ বাবে গুৰুত্বপূৰ্ণ দিন হ'ব। উচ্চতম ন্যায়ালয়ৰ বিশেষ বিচাৰপীঠে নাগৰিকত্ব সংশোধনী নাগৰিকত্ব সংশোধনী আইনৰ দফা ৬(ক) সম্বন্ধীয় গোচৰৰ চূড়ান্ত ৰায়দান প্ৰদান কৰিব। অসম সন্মিলিত মহাসংঘ আৰু ছাত্ৰ সন্থাও এই গোচৰৰ পক্ষ। গোচৰটোৰ দীঘলীয়া শুনানিৰ অন্তত যোৱা ১২ ডিচেম্বৰৰ পৰা ৰায় সংৰক্ষিত কৰি কাইলৈ উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰিব। উচ্চতম ন্যায়ালয়ে অসম আৰু অসমীয়াৰ সপক্ষে ৰায়দান প্ৰদান কৰি নাগৰিকত্ব সংশোধনী আইন দফা ৬ (ক) বাহাল ৰাখিব নে নাই সেয়া স্পষ্ট হ'ব।



**তিনিচুকীয়া জিলাৰ বাঘজানত পুনৰ সংঘটিত বিষাক্ত গেছ নিৰ্গমনৰ ঘটনা, শংকিত হৈ পৰিছে ৰাইজ, ফটোঃ ৰাজীৱ বৰা**

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসম চুক্তি আৰু অনুপ্ৰৱেশ

ৰাইজ এই ক্ষেত্ৰত অসহায়। সাধাৰণে ৰাইজে সকলো বুজিও একো কৰিব নোৱাৰে আৰু সচেতন ৰাইজে সকলো জানি বুজিও এতিয়ালৈ একোডাল কৰিব পৰা নাই। অসম চুক্তি হৈছে অসম আন্দোলনৰ ফচল। অসম আন্দোলন হৈছে অসমত হোৰা-হোৰে বৃদ্ধি হোৱা জনসংখ্যাৰ ফলত সৃষ্টি হোৱা স্থানীয় লোকৰ পৰিচয় সংকটক প্ৰতিহিত কৰিবলৈ আৰম্ভ কৰা এক অন্দোলন। এই আন্দোলন সদৌ অসম ছাত্ৰ সন্থাৰ বেনাৰত আৰম্ভ হৈ সকলো স্থানীয় জনজাতীয় সংগঠনক সামৰি লৈছিল শেষত এটা আঞ্চলিকতাবাদী ৰাজনৈতিক দল অসম গণ পৰিষদত শেষ হৈছিল। ১৯৭৯ চনৰ পৰা আৰম্ভ হোৱা অসম আন্দোলন ১৯৮৫ চনত সমাপ্ত হৈছিল। ১৯৮৫ চনৰ ১৫ আগষ্ট তাৰিখে নতুন দিল্লীত তদানীন্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ উপস্থিতিত স্বাক্ষৰিত চুক্তিখনক আমি সকলোৱে অসম চুক্তি বুলি বুজি আহিছোঁ।

অসম আন্দোলন গণতান্ত্ৰিক আন্দোলন আছিল যদিও সেই আন্দোলন মষিমুৰ কৰিবলৈ সেই সময়ৰ কেন্দ্ৰ তথা ৰাজ্য চৰকাৰে পুলিচ-মিলিটেৰী সকলো ব্যৱহাৰ কৰিছিল। অসম আন্দোলনৰ গণতান্ত্ৰিক আন্দোলনৰ সমান্তৰালকৈ এক বিদ্ৰোহী আন্দোলনো আৰম্ভ হৈছিল। ১৯৭৯ৰ ৭ এপ্ৰিলত শিৱসাগৰৰ পৰা আৰম্ভ হৈছিল ভাৰত চৰকাৰ বিৰোধী এক বিপ্লৱী আন্দোলন। সদৌ অসম মুক্তি বাহিনী (ইংৰাজীত United Liberation Front of Assam) নামেৰে আৰম্ভ হোৱা এই বিপ্লৱী আন্দোলনে অসমৰ আৰ্থ-সামাজিক দিশত ব্যাপক প্ৰভাৱ পেলাইছিল। বিদেশীৰে ভৰি পৰা অসমত সৃষ্টি হোৱা অস্তিত্বকেন্দ্ৰিক সংকটে স্থানীয় লোকক শংকিত কৰি তুলিছিল আৰু তাৰ বাবেই পৰিত্ৰাণৰ উপায় বিচাৰি অসমীয়াই আৰম্ভ কৰিছিল গণতান্ত্ৰিক তথা বৈপ্লৱিক আন্দোলন। ৮০-৯০ৰ দশকত দূৰন্ত তৰুণ আলফা আজি অৱশ্যে অসমৰ পৰিৱৰ্তিত সমাজ ব্যৱস্থাৰ ফলত ভাগৰুৱা।

আনহাতে, আন্দোলন বা অসম চুক্তিৰ প্ৰেক্ষাপটত জন্ম হোৱা অসম গণ পৰিষদ (অগপ) দলটোৱে দুদিনমান পূৰ্বে তেওঁলোকৰ ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱস (১৪ অক্টোবৰ, ১৯৮৫) পালন কৰি চল্লিশ বছৰীয়া হৈ পৰিছে। এই চল্লিশ বছৰীয়া যাত্ৰাত দলটোৱে দুবাৰকৈ ৰাজ্য চৰকাৰৰ দায়িত্বত আছিল আৰু শেহতীয়াকৈ শাসকীয়া পক্ষ বিজেপিৰ সৈতে প্ৰায় এটা দশক আছে।

কিন্তু ইমানৰ পাছতো অসমত অনুপ্ৰেৰশৰ সৈতে জড়িত হৈ থকা সমস্যা বা ৰাজনীতি শেষ হোৱা নাই তথা অসম চুক্তি ৰূপায়নক লৈ চৰ্চাৰ অন্ত পৰা নাই। অগপ যিদৰে ৪০ বছৰীয়া হৈছে ঠিক তেনেদৰে অসম চুক্তিও সমবয়সীয়া হৈছে।

১৯০১ চনত মাত্ৰ ৩৩ লাখ খিলঞ্জীয়া লোক থকা অসমত ২০১১ চনত ৩ কোটি ১২ লাখ হয়। লোকপিয়লৰ তথ্যমতে অসমৰ জনসংখ্যা ১৯১১ চনত ৩৮.৪৯ লাখ, ১৯২১ চনত ৪৬.৩৭ লাখ, ১৯৩১ চনত ৫৫.৬০ লাখ, ১৯৪১ চনত ৬৬.১৫ লাখ, ১৯৫১ চনত ৮০.২৯ লাখ, ১৯৬১ চনত ১০৮.৩৭ লাখ (১ কোটি অতিক্ৰম), ১৯৭১ চনত ১৪৬.২৫ লাখ (১ কোটি ৪০ লাখৰ অধিক), ১৯৮১ চনত ১৮০.৪১ লাখ (১ কোটি ৮০ লাখৰ অধিক), ১৯৯১ চনত ২২৪ লাখ (২কোটি ২৪ লাখ), ২০০১ চনত ২৬৬ লাখৰ (২ কোটি ৬৬ লাখ) তীব্ৰ গতিত বাঢ়ি ২০১১ চনত ৩ কোটি ১২ হৈছে। ২০২১ চনত লোকপিয়ল হোৱা নাই, কিন্তু এই সংখ্যা অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। আপোনালোকে মন কৰিব যে, ৰাজ্যৰ বৰ্ধিত জনসংখ্যাৰ গতি কোনোপধ্যে স্বাভাৱিক নহয়। ১৯৫১ চনৰ পৰা ১৯৯১ চনলৈ ৰাজ্যৰ জনসংখ্যা হোৰাহোৰে বৃদ্ধি পাইছে। এনে হোৱাৰ একমাত্ৰ কাৰণ অবৈধ অনুপ্ৰৱেশ আৰু লগতে বহিঃ ৰাজ্যৰ পৰা প্ৰব্ৰজন।

স্থানীয় অসমীয়া লোকৰ অস্তিত্বৰ সংকট বোধগম্য হোৱাৰ সময়তে অসমবাসী স্বতঃস্ফুৰ্তভাৱে ৰাজপথলৈ ওলাই আহিছিল। অসম আন্দোলনত তৰুণ অৱস্থাত ব্যাপক হাৰত অংশগ্ৰহণ কৰা অসমীয়াবোৰ আজি বয়োজ্যেষ্ঠ নাগৰিক।

এইসকল লোকৰ মনলৈ প্ৰশ্ন আহিছে যে, অসম চুক্তিৰ ৫নং দফা অনুসৰি বিদেশী নাগৰিক চিনাক্তকৰণ, ৬ নং দফাৰ সাংবিধানিক, আইনগত আৰু প্ৰশাসনিক নিৰাপত্তা, ৭নং দফা অনুসৰি অৰ্থনৈতিক বিকাশ প্ৰকৃতকে বাস্তৱায়িত হৈছেনে?

শেহতীয়াকৈ এসময়ৰ অসম চুক্তি ৰূপায়ন মন্ত্ৰী তথা বৰ্তমান ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসম চুক্তি ৰূপায়ন সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া ন্যায়ধীশ (প্ৰাক্তন) বিপ্লৱ শৰ্মা কমিটীৰ প্ৰতিবেদন সন্দৰ্ভত মন্তব্য ৰাখিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কৈছে যে ৰাজ্য চৰকাৰে ২০২৫ বৰ্ষৰ এপ্ৰিল মাহলৈ শৰ্মা কমিটীৰ ৫২টা পৰামৰ্শ কাৰ্যকৰী কৰিব। ৬ নং দফা সন্দৰ্ভত বিপ্লৱ শৰ্মা কমিটীয়ে দিয়া ৬৭ টা পৰামৰ্শৰ ৫৭টা পৰামৰ্শ কাৰ্যকৰী কৰাৰ বাবে বিগত ছেপ্তেম্বৰ মাহত ৰাজ্যিক কেবিনেটে সিদ্ধান্ত লৈছে।

প্ৰশ্ন হয়, জাতি-ভাষা-ভূমিৰ অস্তিত্বৰ পৰা লৈ অৰ্থনৈতিক অধিকাৰৰ অস্তিত্বৰ বাবে বাৰে বাৰে লাঞ্চনা-বঞ্চনা সহ্য কৰি অহা অসমীয়া জাতিটোৱে কেতিয়া প্ৰকৃত স্বাধীনতা লাভ কৰিব।

**লেখকৰ ফোনঃ ৯৮৯৯৬৬০৫৮২**

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছে সাক্ষাৎ কৰিলে ডিজিপি

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলক সাক্ষাৎ কৰে। দলৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ আৰু দলৰ জ্যেষ্ঠ নেতা ৰিপুণ বৰাৰ নেতৃত্বত প্ৰদেশ কংগ্ৰেছৰ প্ৰতিনিধি দলটোৱে নিৰ্বাচনী বিষয়াজনক সাক্ষাৎ কৰি হিংসা বৰ্জিত এক পৰিৱেশত মুক্ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়। প্ৰতিনিধি দলটোৱে ভাৰতীয় জাতীয় কংগ্ৰেছৰ পূৰ্বৰ অনুমোদিত সূচী অনুযায়ী অনুষ্ঠিত শান্তি সমদলত বাধা দিয়া বিষয়টোত আশ্চৰ্য প্ৰকাশ কৰি দুগৰাকীকৈ জনপ্ৰতিনিধিক ক্ৰমে শিৱামণি বৰা আৰু নুৰুল হুদাই আৰক্ষী থানাত গোচৰ দিয়াৰ পিছতো এতিয়ালৈকে দিনৰ পোহৰত দুষ্কাৰ্য সংঘটিত কৰা এজনো দোষীক কৰায়ত্ব কৰিব নোৱৰা ৰাজ্যৰ গৃহ বিভাগক ধিক্কাৰ দিয়ে। মুখ্য নিৰ্বাচনী বিষয়াজনক সমগ্ৰ বিষয়টো তেওঁৰ তত্বাৱধানত তদন্ত কৰাৰ লগতে নগাঁও জিলাৰ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা আৰু দুজন ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক শাস্তিমূলক বদলি কৰিবলৈ দাবী জনায়। মুখ্য নিৰ্বাচনী বিষয়াজনে বিষয়টো গুৰুত্বসহকাৰে গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে। ইফালে, সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰে কয় যে হিমন্ত বিশ্ব শৰ্মাই অসমত ৰজাৰ শাসন চলাব বিচাৰিছে। কংগ্ৰেছে নিকা আৰু মুকলি নিৰ্বাচন অনুষ্ঠিত হোৱাতো বিচাৰিছে আৰু ইয়াৰ বাবে যিকোনোধৰণৰ গণতান্ত্ৰিক আন্দোলন অব্যাহত ৰাখিব বুলি তেওঁ উল্লেখ কৰে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰিপুণ বৰাই ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ ওপৰত তিনিবাৰকৈ আক্ৰমণ চলোৱাৰ পিছতো তেওঁৰ নিৰাপত্তাৰ বিষয়টো ৰাজ্য চৰকাৰে পৰ্যালোচনা কৰা নাই বুলি অভিযোগ কৰে। বৰাই কয় যে ৰকিবুল হুছেইনৰ ঘৰৰ পৰা নিৰাপত্তাৰক্ষী প্ৰত্যাহাৰ কৰা হৈছে। তেওঁক বহুবাৰ ভাবুকি প্ৰদান কৰা হৈছে। কংগ্ৰেছৰ শান্তিপূৰ্ণ সমদলৰ ওপৰত বিজেপিৰ গুণ্ডাই আক্ৰমণ চলোৱাৰ পিছতো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা নাই। ইফালে, অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই মুখ্য নিৰ্বাচনী বিষয়াক দেশৰ সংবিধান সুৰক্ষাৰ স্বাৰ্থত কাম কৰিবলৈ আহ্বান জনাই কয় যে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ অধিকাৰ সকলো ৰাজনৈতিক দলকে দেশৰ সংবিধানে দিছে। সাংবিধানিক অধিকাৰ সুৰক্ষাৰ দায়িত্ব নিৰ্বাচনী আয়ুক্তৰ বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। ইফালে, বিয়লি ৩.৪৫ বজাত কংগ্ৰেছৰ প্ৰতিনিধি দলটোৱে আৰক্ষী সঞ্চালক প্ৰধান জিপি সিংকো সাক্ষাৎ কৰি এক স্মাৰকপত্ৰ প্ৰদান কৰি নিৰ্বাচনৰ সময়ত যাতে পৰিস্থিতিৰ অৱনতি নঘটে তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ ডিজিপিক আহ্বান জনায়। প্ৰতিনিধি দলটোত এপিচিচিৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ, জ্যেষ্ঠ নেতা ৰিপুণ বৰাৰ লগতে এপিচিচিৰ উপ-সভাপতি গুণকান্ত গগৈ, সাধাৰণ সম্পাদক সঞ্জু বৰুৱা, মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, মেহদী আলম বৰা উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২৬ হাজাৰ কোটি কাৰ জেপত

লেনদেনৰ নামত ৰাজহ শিতানত ২০১৮-১৯ বিত্তীয় বৰ্ষত চৰকাৰে খৰছ কৰিছিল ৫৬,৮৯৯ কোটি টকা। সেই পুঁজি ব্যয় ২০২২-২৩ বৰ্ষত ১,০১,৮১৪ কোটি টকালৈ বৃদ্ধি পাইছে। এই বৃদ্ধিৰ হাৰ ৮৪.৮৮ শতাংশ। চৰকাৰে ৰাজহ শিতানত ধন ব্যয় কৰি উন্নয়নমূলক কাম-কাজলৈ পিঠি দিয়া বিষয়টোৱে প্ৰমাণ কৰিছে যে এই চৰকাৰখনে কল্যাণকামী নীতিৰ পৰা আঁতৰি আহিছে। বৰাই সংবাদমেলত অভিযোগ কৰি কয় যে ৰাজ্যখনৰ ৰাজহ ঘাটি এতিয়া ৫২ শতাংশলৈ বৃদ্ধি পাইছে। এই বিত্তীয় ঘাটি ২০১৮-১৯ বৰ্ষত ৪,৭৯৯ কোটি টকা হোৱাৰ বিপৰীতে ২০২১-২২ বৰ্ষত ১৯,৮৬৩ আৰু বৰ্তমান ২০২২-২৩ বৰ্ষত বিত্তীয় ঘাটি ৩০,২০৪ কোটিলৈ বৃদ্ধি পাইছে। এই বিত্তীয় ঘাটিৰ হাৰ ৫২ শতাংশ। ইয়াৰ পৰা প্ৰমাণিত হয় যে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ দেউলীয়া। বৰ্তমান ৰাজ্য চৰকাৰৰ বিত্তীয় অৱস্থা অতি ভয়ংকৰ। সেই কথা পৰ্যালোচনা কৰি বৰাই কয় যে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে ২০২৪ চনৰ মাৰ্চ মাহ পৰ্যন্ত ঠিকাদাৰ আৰু যোগানকাৰীক ২৬ হাজাৰ কোটি টকাৰ বিল মোকলাই দিবলৈ আছে। চৰকাৰৰ বিত্তীয় অৱস্থা যদি ভাল তেতিয়াহ'লে ঠিকাদাৰ আৰু যোগনীয়াৰসকলৰ ২৬ হাজাৰ কোটি টকা ৰাজ্য চৰকাৰে মোকলাই দিব পৰা নাই কিয়? বৰাই কয় যে আৰু কিছুবছৰ হিমন্ত বিশ্ব শৰ্মাক চৰকাৰ পৰিচালনাৰ দায়িত্ব দিলে অসম ৰসাতলে যাব আৰু ইয়াৰ পৰা ৰাইজে কেতিয়াও উদ্ধাৰ নাপাব। পূৰ্বতে অসম গণ পৰিষদ দলে ৰাজ্যখনৰ বিত্তীয় অৱস্থা অতি সংকটজনক কৰি তোলাৰ পিছত মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰি তৰুণ গগৈয়ে অসমৰ বিত্তীয় অৱস্থা সুস্থিৰ কৰিছিল। উন্নয়নমূলক কাম-কাজৰ বাবে গগৈৰ নেতৃত্বৰ চৰকাৰে ১৫ বছৰত ৩৫ হাজাৰ কোটি টকা ঋণ লৈছিল। কিন্তু মন কৰিবলগীয়া কথাটো হ'ল ২০১৬ৰ পৰা ২০২১ চনৰ ভিতৰত সৰ্বানন্দ সোণোৱালৰ চৰকাৰে এই ঋণ ৫ বছৰত বৃদ্ধি কৰিলে ৬৬ হাজাৰ ২০ কোটি টকালৈ। তাতকৈয়ে ভয়ংকৰ কথাটো হ'ল ২০২১ চনৰ পৰা ২০২৪ চনলৈকে এই আঢ়ৈ বছৰত হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে ঋণ বৃদ্ধি কৰিছে ১লাখ ৫২ হাজাৰ কোটি টকালৈ। বিগত আঢ়ৈ বছৰত তেওঁ ৮৫ হাজাৰ ৯৮০ কোটি টকাৰ ঋণ লৈছে। ইয়াৰ ফলশ্ৰুতিত অসম চৰকাৰে বাজেট নিৰ্ধাৰণ কৰোতে ৭,২৯৯.১৮ কোটি টকা ঋণৰ বিপৰীতে বাৰ্ষিক সুত দিবলগীয়া হয়। এই সুত ভৰি থাকিবলগীয়া হোৱাৰ বাবে ৰাজ্য চৰকাৰে অংগনৱাড়ী কৰ্মী, আশা কৰ্মী, মধ্যাহ্ন ভোজনৰ ৰান্ধনি আৰু ঠিকাভিত্তিক কৰ্মচাৰীয়ে পাবলগীয়া ৫০০০ কোটি টকাৰ পাৰিশ্ৰমিক মুকলি কৰি দিব পৰা নাই। বৰাই কয় যে, ৰাজ্য চৰকাৰৰ উন্নয়নমূলক কাম-কাজৰ পুঁজি বৰ্তমান ২০ শতাংশলৈ কমি গৈছে। এক সংবাদমেলত দায়িত্বসহকাৰে কংগ্ৰেছ নেতাজনে কয় এয়া মোৰ ব্যক্তিগত কথা নহয়, কেন্দ্ৰীয় চৰকাৰৰ চিএজি প্ৰতিবেদনত এইবোৰ তথ্য সন্নিবিষ্ট হৈছে। বৰাই কয় যে সাহস থাকিলে হিমন্ত বিশ্ব শৰ্মাই ২০২১-২০২৪ চনৰ ভিতৰত তেওঁৰ কাৰ্যকালৰ এখন শ্বেতপত্ৰ প্ৰকাশ কৰক। এই শ্বেতপত্ৰত তেখেতে কিমান ৰাজহ সংগ্ৰহ হ'ল আৰু বিভিন্ন শিতানৰ পৰা কিমান বিত্তীয় লেনদেন হৈছে, লগতে কোন কোন ঋণৰ উৎসৰ পৰা কিমান ঋণ সংগ্ৰহ কৰিছে আৰু এই ঋণ ক'ত ব্যয় কৰিছে সেই তথ্য ৰাজহুৱা কৰক। লগতে, ৰাজহ ব্যয় আৰু মূলধনী ব্যয়ৰ হিচাপ দাখিল কৰক। কি কাৰণে পেট্ৰ'ল, ডিজেলত বাৰে বাৰে ভেট প্ৰয়োগ কৰিবলগীয়া হৈছে সেয়া ৰাইজক জনাওক। ঔষধকে ধৰি আন আন অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ দাম বৃদ্ধি কিয় হৈছে আৰু ৰাজ্য চৰকাৰে কিয় বিভিন্ন শিতানৰ কৰ ২৫.৪৪ শতাংশলৈ বৃদ্ধি কৰিছে সেই কথাও ৰাইজক জনাওক। বৰাই অসমৰ ৰাইজক সমগ্ৰ বিষয়টো পৰ্যালোচনা কৰি জাতীয় স্বাৰ্থত হিমন্ত বিশ্ব চৰকাৰক বিদায় দিবৰ বাবে আহ্বান জনায়। সংবাদমেলত অসম কংগ্ৰেছ কমিটিৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা আৰু সম-অধ্যক্ষ মেহদী আলম বৰা উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'ভাষা গৌৰৱ সপ্তাহ' পালনক লৈ

কাৰ্যসূচী পালনৰ সিদ্ধান্ত লৈছে। ৩ৰ পৰা ৯ নৱেম্বৰত 'ভাষা গৌৰৱ সপ্তাহ' পালন কৰিব ৰাজ্য চৰকাৰে। অসমীয়াক ধ্ৰুপদী ভাষাৰ মৰ্যাদাক লৈ পালন কৰিবলগীয়া 'ভাষা গৌৰৱ সপ্তাহ' কাৰ্যসূচীক লৈ ইতিমধ্যে তৎপৰ হৈছে ৰাজ্যৰ প্ৰতিখন জিলাৰ প্ৰশাসন। তাৰ মাজতে আজি অসমৰ সকলো জিলাতে ৩ৰ পৰা ৯ নৱেম্বৰৰ ভিতৰত পালন কৰিবলগীয়া 'ভাষা গৌৰৱ সপ্তাহ'ক লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰে। কাৰ্যসূচীৰ প্ৰস্তুতিক লৈ জিলাসমূহৰ বিষয়া আৰু জিলা আয়ুক্তৰ সৈতে ভাৰ্চুৱেলী বৈঠক অনুষ্ঠিত কৰে। যত বিদ্যালয়, মহাবিদ্যালয়, ৰাজহুৱা কাৰ্যালয় আৰু নাগৰিক সমাজ, জাতীয় সংগঠনসমূহৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে এই কাৰ্যসূচীৰ দ্বাৰা অসমক একত্ৰিত কৰা সমৃদ্ধ ভাষাটোৰ ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হ'ব। বিভিন্ন মঞ্চত অসমীয়া আৰু ৰাজ্যৰ অন্যান্য ভাষাক লৈ আলোচনাৰ ব্যৱস্থা কৰা হ'ব। ঘোষণা অনুসৰি ভাষাৰ তাৎপৰ্য বৰ্ণনা কৰি ৰাজ্যজুৰি এখন বিশেষ পুস্তিকাৰ দুই লাখ প্ৰতিলিপি বিতৰণ কৰা হ'ব। অসমীয়াক শাস্ত্ৰীয় ভাষাৰ মৰ্যাদা প্ৰদান কৰাত প্ৰধানমন্ত্ৰীক ধন্যবাদ জনোৱাৰ লগতে ভাষাৰ বিকাশ আৰু সংৰক্ষণৰ ক্ষেত্ৰত অপৰিসীম অৱদান আগবঢ়োৱা ৰাজ্যখনৰ মহান ব্যক্তিসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ বিশেষ প্ৰস্তাৱ গৃহীত কৰা হ'ব বুলিও কয় মুখ্যমন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে দিনদিয়েক পূৰ্বে নতুনকৈ অসমীয়াসহ ৫টা ভাষাক ধ্ৰুপদী ভাষাৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছিল। ইয়াৰ পিছতে ৰাজ্য চৰকাৰে এই বিশেষ উদ্যোগ গ্ৰহণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাহুল গান্ধীৰ উপস্থিতিত শপত

'ইণ্ডিয়া' মিত্ৰজোঁটৰ কেইবাগৰাকীও শীৰ্ষ নেতাৰ উপস্থিতিত জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে নেশ্যনেল কনফাৰেন্সৰ নেতা ওমৰ আব্দুল্লাই। এই শপত গ্ৰহণ অনুষ্ঠানতে ওমৰ আব্দুল্লাৰ সৈতে শপত গ্ৰহণ কৰে আঠজন কেবিনেট মন্ত্ৰীয়েও। জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই মুখ্যমন্ত্ৰী আৰু কেবিনেট মন্ত্ৰীসকলক শপত বাক্য পাঠ কৰোৱায়। উল্লেখ্য যে, ৰাজ্যখনে বিশেষ মৰ্যাদা হেৰুৱাৰ ছবছৰৰ পাছত এইবাৰ ভূস্বৰ্গত অনুষ্ঠিত হয় প্ৰথম বিধানসভা নিৰ্বাচন। এই নিৰ্বাচনত নেশ্যনেল কনফাৰেন্স আৰু কংগ্ৰেছে একেলগে যুঁজ দি চৰকাৰ গঠনৰ বাবে প্ৰয়োজনীয় সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ সক্ষম হয়। অৱশ্যে কংগ্ৰেছৰ এক সূত্ৰ অনুসৰি এই নতুন চৰকাৰৰ অংশীদাৰ নহয় কংগ্ৰেছ। ইয়াৰ বিপৰীতে দলটোৱে বাহিৰৰ পৰাই আব্দুল্লা চৰকাৰক সমৰ্থন আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা বুলি জানিব পৰা গৈছে। সূত্ৰ অনুসৰি, নতুন চৰকাৰত কংগ্ৰেছক এটা মন্ত্ৰালয় প্ৰদান কৰা হৈছিল যদিও দলে সেই প্ৰস্তাৱ নাকচ কৰে। জম্মু-কাশ্মীৰ প্ৰদেশ কংগ্ৰেছ কমিটীৰ মুৰব্বী তাৰিক হামিদ কাৰাই প্ৰকাশ কৰা মতে, কংগ্ৰেছে এই মুহূৰ্তত কাশ্মীৰ চৰকাৰত নাথাকে। তেওঁ কয়, "কংগ্ৰেছে কাশ্মীৰৰ মৰ্যাদা পুনৰ ঘূৰাই আনিবলৈ কেন্দ্ৰক বাৰে বাৰে দাবী জনাই আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজহুৱাভাৱে ইয়াক ঘূৰাই দিয়াৰ প্ৰতিশ্ৰুতি দিছে। কিন্তু এতিয়ালৈকে কাৰ্যকৰী হোৱা নাই। এনে কাৰণতে আমি অসন্তুষ্ট। সেয়েহে আমি এই সময়ত মন্ত্ৰণালয় গ্ৰহণ কৰা নাই। আমাৰ আন্দোলনে ৰাজ্যৰ মৰ্যাদা দাবী কৰি থাকিব।" ইফালে আজি মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাৰ শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে জম্মু-কাশ্মীৰ নেশ্যনেল কনফাৰেন্সৰ মুৰব্বী ফাৰুক আব্দুল্লা, কংগ্ৰেছ সাংসদ তথা লোকসভাৰ বিৰোধী নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱ, পিডিপিৰ মুৰব্বী মেহবুবা মুফতি, ডিএমকেৰ নেতা আৰ কে কানিমোঝি, আপ নেতা সঞ্জয় সিং, চিপিআইৰ নেতা ডি ৰাজাকে ধৰি বিৰোধী মিত্ৰজোঁটৰ কেইবাগৰাকীও শীৰ্ষ নেতা। আজি শপত গ্ৰহণ অনুষ্ঠানত ওমৰ আব্দুল্লাৰ উপৰিও নেশ্যনেল কনফাৰেন্সৰ চাকিনা ইটু, জাভেদ আহমদ ৰাণা, জাভেদ আহমদ দাৰ, সুৰিন্দৰ কুমাৰ চৌধুৰী, নিৰ্দলীয় বিধায়ক সতীশ শৰ্মাই কেবিনেট মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। লগে লগে ৰাজ্যখনত আৰম্ভ হয় আন এক নতুন অধ্যায়ৰ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ ব্লকৰ কাষৰ ব্লকতে

দৌৰাত্ম্য বাঢ়িছে ঘোঁচখোৰ, দালাল আৰু কমিচনখোৰৰ। বাৰে বাৰে প্ৰশাসনৰ বৰঘৰত ঘোঁচখোৰ, ঠগ-প্ৰৱঞ্চক ধৰা পৰাৰ ঘটনাই চৰকাৰখনৰ ভিতৰৰ বহু কথাই যেন উদঙাই দিছে। প্ৰশাসন ব্যৱস্থা স্বচ্ছ আৰু নিকা কৰাৰ প্ৰতিশ্ৰুতি দি দিছপুৰৰ মছনদ দখল কৰা বিজেপিৰ দিনত এতিয়া দুৰ্নীতিকাৰী, ঘোঁচখোৰ, প্ৰৱঞ্চকে ৰাজ্য প্ৰশাসনৰ বৰঘৰত বাহৰ পাতিছে। ৰাজ্য প্ৰশাসনৰ মুখ্য প্ৰশাসনস্থলী জনতা ভৱনত বাৰে বাৰে ঘোঁচখোৰ, ঠগ-প্ৰৱঞ্চক ধৰা পৰিছে। ১৩ ছেপ্তেম্বৰত বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ সাধাৰণ সম্পাদক অসীম কুমাৰ দাসক গ্ৰেপ্তাৰ হৈছিল। দিছপুৰৰ মন্ত্ৰীৰ কেবিনত শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণৰ আৱাসৰ পৰা ভুৱা ৱৰ্ক অৰ্ডাৰ প্ৰদান কৰি বহিঃৰাজ্যৰ ঠিকাদাৰৰ পৰা লক্ষ লক্ষ টকা কমিচন লৈছিল অসীম দাসে। এইবাৰ জনতা ভৱনত ঘোঁচখোৰ আমোলাক গ্ৰেপ্তাৰ কৰা হৈছে। বিষয়াগৰাকী হৈছে পাৰ্থ হাজৰিকা। ২৫ হাজাৰ টকা ঘোঁচ লোৱাৰ সময়তে দুৰ্নীতি নিবাৰক শাখাই হাতে-লোটে পাৰ্থ হাজৰিকাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নিজকে সামাজিক ব্যক্তি বুলি জহাই ফুৰা পাৰ্থ হাজৰিকাই আবকাৰীৰ বিভিন্ন কামত বজাৰ বহুওৱা বুলি অভিযোগ উত্থাপনৰ সময়তে আজি জনতা ভৱনত নগদ ধন লৈ হাত দাঙে। এজন লোকৰ হাতৰ পৰা ২৫ হাজাৰ টকা লোৱাৰ সময়তে দুৰ্নীতি নিবাৰক শাখাই পাৰ্থ হাজৰিকাক গ্ৰেপ্তাৰ কৰে। নলবাৰী জিলাৰ বৰনদীৰ বাসিন্দা তথা অসম সচিবালয়ৰ আবকাৰী বিভাগৰ শাখা বিষয়া পাৰ্থ হাজৰিকাৰ বিৰুদ্ধে বহু গুৰুতৰ অভিযোগ আছে। জনতা ভৱনৰ ডি ব্লকত প্ৰায়ে বিভিন্ন লোকক সাক্ষাৎ কৰে হাজৰিকাই। আজিও এগৰাকী লোকক সাক্ষাতৰ বাবে মাতিছিল। সেই সময়তে দুৰ্নীতি নিবাৰক শাখাই অভিযান চলাই গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে, এজন লোকৰ পৰা বাৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ কথা দি ১ লাখ টকা দাবী কৰিছিল। মানুহজনে ১ লাখ টকা দিয়াৰ প্ৰতিশ্ৰুতি দি দুৰ্নীতি নিবাৰক শাখাৰ সৈতে যোগাযোগ কৰে। দুৰ্গা পূজাৰ পূৰ্বে ৪০ হাজাৰ টকা লোকজনৰ পৰা আদায় কৰে। দুৰ্গা পূজাৰ পিছত বিষয়া হাজৰিকাই টাকখিনি বিচাৰিছিল। সেই অনুসৰি আজি লোকজন জনতা ভৱনৰ ডি ব্লকত উপস্থিত হয়। লগতে লৈ অহা ২৫ হাজাৰ টকা পাৰ্থ হাজৰিকাৰ চেম্বাৰত সোমাই হাতত তুলি দিয়াৰ সময়তে বাহিৰত থিয় হৈ থকা দুৰ্নীতি নিবাৰক শাখাৰ কেইবাজনো লোকে হাজৰিকাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জনতা ভৱনৰ ডি ব্লকত বাৰৰ অনুজ্ঞাপত্ৰ দিয়াৰ নামত ২৫ হাজাৰ টকা উৎকোচ লোৱাৰ সময়তে ঘোচখোৰ বিষয়া পাৰ্থক গ্ৰেপ্তাৰ কৰে দুৰ্নীতি নিবাৰক শাখাই। পাৰ্থ হাজৰিকাৰ গ্ৰেপ্তাৰৰ পাছতে দুৰ্নীতি নিবাৰক শাখাই পাৰ্থ হাজৰিকাৰ ঘৰত অভিযান চলায়। আবকাৰী বিষয়া পাৰ্থ হাজৰিকা বাসগৃহত ৪৭ লাখ ৩০ হাজাৰ ৫০০ টকা উদ্ধাৰ হয়। মহানগৰীৰ জৰাহৰ নগৰৰ বাসগৃহত এই ধন উদ্ধাৰ। উদ্ধাৰ হোৱা ধন জব্দ কৰিছে দুৰ্নীতি নিবাৰক শাখাই। এই খবৰ ৰাষ্ট্ৰ হোৱাৰ পাছতে ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। যদি জনতা ভৱনতে ঘোঁচখোৰ বিষয়াই ধন সংগ্ৰহৰ বজাৰ বহুৱাইছে তেন্তে ৰাজ্যৰ আন কাৰ্যালয়ত কি অৱস্থা পাইছে তাকে লৈ চৰ্চা কৰা পৰিলক্ষিত হৈছে। প্ৰকৃততে অসমৰ একাংশ আমোলা-বিষয়াৰ ভয় বোলা বস্তুটোৱে নোহোৱা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দুৰ্নীতিৰ বিৰুদ্ধে কথা কয় যদিও বিয়াগোম কেলেংকাৰীত জড়িতসকলৰ বিৰুদ্ধে মৌন হৈ পৰে চৰকাৰ। যাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ৰঙাচকুক ভয় নকৰা হৈছে অসমৰ আমোলা-বিষয়া-কৰ্মচাৰীয়ে। দুৰ্নীতি ৰোধৰ শ্ল'গান এতিয়া 'হাৰা' হৈ পৰিছে। জনতা ভৱনৰ মুখ্যমন্ত্ৰীৰ ব্লকৰ সমীপৱৰ্তী ডি ব্লকত এনেদৰে ঘোঁচখোৰে বজাৰ বহুওৱাত চাঞ্চল্যৰ সৃষ্টি হৈছে। দুই মন্ত্ৰীৰ কেবিনত ঠিকাৰ নামত কমিচন সংগ্ৰহৰ খবৰৰ চাঞ্চল্য মাৰনৌযাওঁতেই এইবাৰ জনতা ভৱনত চলিছে ঘোঁচ লোৱাৰ দৌৰাত্ম্য। অসমী দাস নামৰ বিজেপিৰ নেতাক গ্ৰেপ্তাৰৰ পাছতে দুই মন্ত্ৰী যোগেন মহন আৰু সঞ্জয়ে কিষাণৰ কেবিনেত বহিঃৰাজ্যৰ ঠিকাদাৰৰ সৈতে বৈঠক কৰাৰ কথা পোহৰলৈ আহিছিল। কেৱল বৈঠক কৰাই নহয় কমিচন লৈছিল মন্ত্ৰীৰ কেবিনত। এই খবৰে এটা কথা স্পষ্ট কৰিছে যে অসমত দুৰ্নীতি ভ্ৰষ্টাচাৰ এতিয়া চৰকাৰৰ বৰঘৰ শিপাইছে।

# শিৱসাগৰত সাহিত্যৰথীৰ ওপজা দিন বিশেষভাৱে পালন আছুৰ

## কুলধৰ শইকীয়ালৈ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা বঁটা

**ই-সংবাদ, শিৱসাগৰ, ১৬ অক্টোবৰঃ** সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ আহ্বানত আজি সমগ্ৰ শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তত আছুৱে উদযাপন কৰে সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ওপজা দিন। সাহিত্যৰথীৰ আত্মজীৱনীত উল্লেখিত ধৰণেৰে বিগত চাৰিটা বৰ্ষ ধৰি শিৱসাগৰ জিলা ছাত্ৰ সন্থাই প্ৰত্যেক বছৰে লক্ষ্মী পূৰ্ণিমাৰ দিনটো তেখেতৰ ওপজা দিন হিচাপে পালন কৰি আহিছে। জিলাখনৰ ভিন্ন প্ৰান্তৰ লগতে শিৱসাগৰস্থিত লক্ষ্মীনাথ বেজবৰুৱা শিশু উদ্যানত জিলা ছাত্ৰ সন্থাই শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত কেন্দ্ৰীয় ভাৱে পালন কৰে ওপজা দিনৰ কাৰ্যসূচী। শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মানস প্ৰতীম বৰুৱা আৰু সাধাৰণ সম্পাদক মনজিৎ হাজৰিকাই আঁতধৰা অনুষ্ঠানটি বেজবৰুৱাৰ আজো পৰিনাতি বোৱাৰী অৰুন্ধতী বেজবৰুৱাই লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলিৰে মুকলি কৰে। উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰি আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকন, ধ্ৰুৱজ্যোতি কলিতা, জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা, সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়াই বেজবৰুৱালৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। অনুষ্ঠানটিত গড়গাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা তথা বিশিষ্ট লেখিকা ড° অৰুন্ধতী মহন্তই লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন সন্দৰ্ভত আলোকপাত কৰি তেখেতলৈ গভীৰ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰি কয় মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ পাছতে অসমীয়া সাহিত্যক জগত সভালৈ আগবঢ়াই নিয়া অন্যতম কাণ্ডাৰী পুৰুষ গৰাকীলৈ প্ৰদান কৰা এই মান্যতা ছাত্ৰ সন্থাৰ সময়োপযোগী পদক্ষেপ। লক্ষ্মীনাথ বেজবৰুৱা অসমৰ এগৰাকী শ্ৰেষ্ঠ পুৰুষ। তেওঁৰ সৃষ্টিৰাজি, জীৱন দৰ্শন সদায়ে পাঠ্যে হৈ ৰ'ব। কেৱল সময়োপযোগীকৈ তেখেতৰ সৃষ্টিৰাজিক মানুহৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত যুগসাপেক্ষ পদক্ষেপ সকলোৱে গ্ৰহণ কৰিব লাগিব। তেওঁৰ দৰে পণ্ডিত এগৰাকীক অসমীয়াই চিৰদিনৰ বাবে নিজৰ মাজত জীয়াই ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰাৰ প্ৰয়োজনীয়তা সন্দৰ্ভতো ড° মহন্তই আলোকপাত কৰে। এই অনুষ্ঠানতে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাই প্ৰদান কৰা সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা বঁটা সন্দৰ্ভত ঘোষণা কৰি ছাত্ৰ সন্থাৰ উপদেষ্টা তথা আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকনে কয়, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাক আমাৰ মাজত জীয়াই ৰাখিবৰ বাবে আৰু তেওঁক নতুন পুৰুষৰ সৈতে পৰিচয় কৰাই দিয়াৰ লক্ষ্যৰে শিৱসাগৰৰ সু-সন্তান গৰাকীৰ নামেৰে জিলা ছাত্ৰ সন্থাই প্ৰতিবছৰে এটি বঁটা সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা বঁটা শীৰ্ষকেৰে প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰি বিগত বৰ্ষ দুটিত এই বঁটা প্ৰদান কৰিছে। অসমৰ সমাজ জীৱন, সাহিত্য-সংস্কৃতিলৈ প্ৰতিভূ অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিক এই বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত জিলা ছাত্ৰ সন্থাই কাৰ্যকৰী কৰি আহিছে। এই বৰ্ষৰ বঁটা অসমৰ এগৰাকী অন্যতম বিশিষ্ট ব্যক্তি তথা ৩১ খনকৈ গ্ৰন্থৰ প্ৰণেতা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, মুনীন বৰকটকী বঁটা, কথা বঁটা আৰু সাহিত্য অকাডেমি বঁটা প্ৰাপক ড° কুলধৰ শইকীয়া দেৱলৈ আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। চলিত বৰ্ষতে শিৱসাগৰত এক বিশেষ অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব বুলি আছু নেতৃত্বই অৱগত কৰিছে। ইতিমধ্যে ইয়াৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে আছুৱে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নামনিত অস্তিত্বৰ সংকটত অগপ

বঙাইগাঁও বিধানসভা সমষ্টিত ১৩ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। বঙাইগাঁও সমষ্টিৰ লগতে আন ৪টা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচন অগপৰ বাবে এক অগ্নিপৰীক্ষা। কিয়নো বিগত ৪০ বছৰতকৈ বেছিকাল বিধায়ক হৈ থকা ফণীভূষণ চৌধুৰীৰ সমষ্টিটো এজন যোগ্য প্ৰাৰ্থী থিয় কৰাই জয়ী কৰি আনিব নোৱাৰিলে মান-সন্মান সকলো শেষ হ'ব। ১৯৮৫ চনত ঐতিহাসিক অসম চুক্তিৰ পাছত প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত গঠিত অগপ দলে চৰকাৰ গঠন কৰাত দেশৰ কনিষ্ঠতম মুখ্যমন্ত্ৰী ৰূপে নিৰ্বাচিত হয়। ১৯৮৫-১৯৮৯ আৰু ১৯৯৬-২০০১ কালছোৱাত দুবাৰ অগপই অসমত চৰকাৰ গঠন কৰিছিল। তাৰ পাছতো অগপ দলটো সংকুচিত হোৱাৰ ফলত বিগত বিধানসভা নিৰ্বাচনত মাথোঁ আঠখন আসনত জয়ী হৈছিল। যদি বঙাইগাঁও আসন হাতৰ পৰা গুছি যায় তেন্তে নামনি অসমত অগপৰ অস্তিত্ব নাইকীয়া হ'ব। একালত নামনি অসমত অগপৰ দলৰ কমেও ১০ৰ পৰা ১৫গৰাকী বিধায়ক আছিল। সংখ্যালঘু অধ্যুষিত বৰপেটা, ধুবুৰী, গোৱালপাৰা জিলাৰ বহু সমষ্টিত অগপৰ প্ৰাৰ্থী জয়ী হৈছিল। কিন্তু প্ৰফুল্ল কুমাৰ মহন্তই দলৰ পৰা খেদা খোৱাৰ পাছৰে পৰা নামনিৰ আসনসমূহ একপ্ৰকাৰ এৰি দিছে অগপৰ বৰ্তমানৰ নেতৃত্বই। আনহে নালাগে এসময়ৰ অগপৰ দুৰ্গ, অভয়াপুৰী, নলবাৰী, ধৰ্মপুৰ, ৰঙিয়া, কমলপুৰ আদি সমষ্টিত অগপই অস্তিত্ব ধৰি ৰাখিবলৈ যুঁজ দিবলগীয়া হৈছে। বিজেপিৰ বোকোছাত উঠি বিগত দুটা দশকত অগপৰ এনে অৱস্থা হোৱা বুলি গুজৰ চলে। থানেশ্বৰ বড়ো, ময়িদুল ইছলাম বৰা, ভূপেন ৰায়, কমলাকান্ত কলিতা, লিয়াকত আলী খান, কুমাৰ দীপক দাসৰ দৰে নেতাই একালত নামনি অসমত দপদপাই আছিল। কিন্তু আজি নামনি অসমত অগপৰ পতাকাখন ধৰি মানুহৰ অভাৱ। তৃণমূল পৰ্যায়ত আজিও অগপৰ বাবে কাম কৰা মানুহ আছে। কিন্তু দলৰ শীৰ্ষ নেতৃত্বই গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন হৈ আহিছে। বিজেপিৰ সৈতে হিন্দুত্ববাদৰ ৰাজনীতিত উটি ভাহি যোৱা দলটোৰ শীৰ্ষ নেতৃত্বই নামনি অসমত নিজৰ অস্তিত্ব নিজেই শেষ কৰিছে বুলি চৰ্চা চলে। আজি অগপৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই বঙাইগাঁও সমষ্টি আৰু ছিদলী সমষ্টি ভ্ৰমণ কৰে। বঙাইগাঁও বিধানসভা সমষ্টি আৰু বিজনী বিধানসভা সমষ্টিৰ দলৰ বিষয়-ববীয়াৰ সৈতে আসন্ন উপ-নিৰ্বাচনৰ সন্দৰ্ভত আলোচনা কৰে দুয়ো নেতাই। দিনটো নামনি অসমত কটাই দুয়ো নেতাই দলৰ সাংগঠনিক স্থিতিৰ বুজ লয়। দুয়ো নেতাই কয় যে উৎসাহী দলীয় সতীৰ্থসকল উৎসাহী। ১৯৮৫ চনৰ পৰা অগপৰ বাবে অভেদ্য দুৰ্গ বঙাইগাঁও বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত পুনৰবাৰ বিজয়ধ্বজা উৰুৱাবলৈ সাজু হৈছে কৰ্মীসকল। অসম গণ পৰিষদৰ প্ৰক্ষেপিত প্ৰাৰ্থীগৰাকীৰ বিজয় সাব্যস্ত কৰাৰ বাবে পূৰ্ণোদ্যমেৰে নিৰ্বাচন কেন্দ্ৰিক কাম-কাজসমূহ সম্পাদন কৰিবলৈ নেতা-কৰ্মীক আহ্বান জনাই অতুল বৰাই। দুয়োগৰাকী শীৰ্ষ নেতাই উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ছিদলী বিধানসভা সমষ্টিতো দলীয় নেতা-কৰ্মীক সাক্ষাৎ কৰে। ছিদলী সমষ্টিত ইউপিপিএলৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব যদিও অসম গণ পৰিষদে পূৰ্ণোদ্যমে নিৰ্বাচনী কাৰ্যকলাপ আগুৱাই নিয়াত সহযোগ কৰিব বুলি ঘোষণা কৰে। দুয়ো শীৰ্ষ নেতাৰ সৈতে সভাত বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰী, প্ৰাক্তন বিধায়ক ভূপেন ৰায়, প্ৰাক্তন বিধায়ক প্ৰশান্ত বৰুৱা আৰু জ্যোতিষ দাস, কৰ্ণমোহন ৰায়, মনোজ শইকীয়া আৰু ধৰ্মেশ্বৰ ৰায়, কবেন দাস, পবিত্ৰ নাথক দেখা যায়। এনেকৈ এতিয়া সমষ্টিটো ৰক্ষাৰ বাবে দলটো নামি পৰিছে।

## ‘মোৰ পুত্ৰ থাকে আমেৰিকাত, তাৰপৰাই চাই দিয়ে ফেচবুক’

# অশোক সিংঘালক প্ৰদ্যুতৰ প্ৰত্যুত্তৰ

**ই-সংবাদ, ১৬ অক্টোবৰঃ** কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেৰ ফেচবুক একাউণ্ট পৰিচালিত হয় নৰৱেৰ পৰা। অসমৰ নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ ফেচবুকৰ পেজ চলে আমেৰিকাৰ পৰা। গৌৰৱ গগৈ ফেন ক্লাবৰ সদস্য আছে বাংলাদেশৰ। এইবোৰ অভিযোগ উত্থাপন কৰি সংবাদমাধ্যমত মন্তব্য দিবলৈ আৰম্ভ কৰিছে অসম বিজেপিৰ নেতা তথা কেইবাগৰাকী মন্ত্ৰীয়ে। মূল্যবৃদ্ধি, ৰাস্তা-ঘাট, কৃষক, নিবনুৱাৰ সমস্যাক লৈ মূৰ ঘমোৱাৰ পৰিবৰ্তে বিৰোধী দলৰ সামাজিক মাধ্যমৰ পেজ বা একাউণ্ট ক'ৰ পৰা চলিছে তাকেই লৈ ব্যস্ত হৈ পৰিছে ৰাইজৰ দায়িত্ব লৈ থকা মন্ত্ৰীয়ে। বিজেপিৰ নেতা মন্ত্ৰীয়ে ফেচবুকৰ পোষ্ট আৰু একাউণ্ট চোৱাত ব্যস্ত হোৱা পৰিলক্ষিত হৈছে। তাৰ মাজতে কংগ্ৰেছ নেতা তথা সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে অট্টহাস্য কৰি বিজেপিক প্ৰত্যুত্তৰ দিছে। অল্পবুদ্ধি গ্ৰস্ততাৰ বলি হোৱা বুলি কটুক্তি কৰিছে বিজেপি নেতাসকলক। এটা ফেচবুক পোষ্টত বৰদলৈয়ে কয় “অল্পবুদ্ধি গ্ৰস্ততাৰে সততে উৰ্দ্ধবাহু হোৱাৰ প্ৰৱনতা থকা এচাম বিজেপি নেতাই হঠাতে দোষাৰোপ কৰিবলৈ আৰম্ভ কৰিছে বোলে মোৰ এই ফেচবুক পেজখন আমেৰিকাৰ কোনো সন্দেহযুক্ত লোকৰ দ্বাৰা পৰিচালিত হয়। তেখেতসকলৰ জ্ঞাতাৰ্থে জনাওঁ যে আমাৰ সৰু পুত্ৰ শ্ৰীমান ৰনীজ বৰদলৈ, একেবাৰে এজন পাক্কা ভাৰতীয় নাগৰিক হৈয়ো, আমেৰিকাত কলেজীয়া পঢ়াশুনা সামৰি সদ্যহতে ডিজিটেল প্ৰযুক্তি বিশেষকৈ এআই আৰু আইঅ'টি বিষয়ৰ ওপৰত কাম কৰি আছে। মোৰ ফেচবুক পেজকে ধৰি সামাজিক মাধ্যমত মোৰ লগত কাম কৰা আন কেইবাজনো ভাৰতীয় নৱ প্ৰজন্মৰ যুৱক-যুৱতীৰ মাজত শ্ৰীমান ৰনীজেও অন্যতম এজন ‘এডমিন’ সমল ব্যক্তি হিচাবে নিজে আমেৰিকাত থাকিও মাজে মাজে মই নজনা নতুন কথা বিলাক শিকাই দি সহায় কৰে।” অসম চৰকাৰৰ মন্ত্ৰী অশোক সিংহল, পীয়ুষ হাজৰিকা, জয়ন্তমল্ল বৰুৱাৰ দৰে নেতাই কংগ্ৰেছ নেতাসকলৰ সামাজিক মাধ্যমৰ একাউণ্টসমূহ কৰ পৰা চলিছে তাকে লৈ মন্তব্য প্ৰদান কৰি থকা দেখা গৈছে। মন্ত্ৰী পীয়ুষ হাজৰিকা, জয়ন্তমল্ল বৰুৱা, জয়ন্তমল্ল বৰুৱাই এই বিষয়টোক লৈ সংবাদমাধ্যমত মন্তব্য প্ৰদান কৰি কংগ্ৰেছক আক্ৰমণ কৰিবলৈ উৎসাহী হোৱা দেখা গৈছে। জয়ন্ত মল্লবৰুৱা আৰু পীয়ুষ হাজৰিকাই কয় যে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বৰ সামাজিক মাধ্যমত থকা পেজসমূহ বিদেশৰ পৰা পৰিচালিত হয়। গৌৰৱ গগৈৰ ফেন ক্লাবৰ অনুৰাগী বাংলাদেশৰ। কেইবাগৰাকীও কংগ্ৰেছ নেতাৰ ফেচবুক পেজৰ তথ্য উল্লেখ কৰি মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে, দুই সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু গৌৰৱ গগৈক আক্ৰমণ কৰে। বৰুৱাই নিৰ্বাচনত বিদেশীৰ হস্তক্ষেপ কৰিব খোজাৰ অভিযোগ আনি কয় যে কংগ্ৰেছে বিদেশী হস্তক্ষেপেৰে ভাৰতীয় নিৰ্বাচনত প্ৰভাৱ পেলাবলৈ চেষ্টা কৰিছে। এটা ফেচবুক পোষ্ট দি শলঠেকত পৰিল গুৱাহাটী উন্নয়নৰ দপ্তৰৰ মন্ত্ৰী অশোক সিংহল। সিংহলে কয় “বৰ আচৰিত নহয়নে! মল্লিকাৰ্জুন খাৰ্গে, প্ৰদ্যুৎ বৰদলৈ, গৌৰৱ গগৈ এইসকল কংগ্ৰেছ নেতাৰ ফে'চবুক পে'জ পৰিচালিত হয় বিদেশৰ পৰা! গৌৰৱ গগৈৰ ফেনছ ক্লাবৰ সদস্যৰ বহুখিনি বাংলাদেশী মিঞা! এয়া কাকতালীয় হ'বই নোৱাৰে। আচলতে এইবোৰেই স্পষ্ট কৰে যে, অসমত ব্যাপক হাৰত অবৈধ অনুপ্ৰৱেশ আৰু বলপূৰ্বক জনগাঁথনিগত পৰিৱৰ্তনৰ দিশত সহায় পাবলৈ তেওঁলোক কিদৰে সদায় সাজু আৰু যিকোনো পৰ্যায়লৈ যাবলৈ প্ৰস্তুত।” সিংহলে গৌৰৱ গগৈৰ ফেন পেজত বাংলাদেশৰ সদস্য থকা বুলি দাবী কৰি এটা স্ক্ৰীণশ্বট শ্বেয়াৰ কৰাৰ পাছতে একাংশ নেটিজেনে আক্ৰমণ কৰি মন্ত্ৰীগৰাকীক গুৱাহাটীৰ উন্নয়ন কৰি গুৱাহাটীৰ বানপানী নিবাৰণ কৰিৱ বাবে কাম কৰাৰ পৰামৰ্শ দিয়ে। বিজেপিৰ নেতা-মন্ত্ৰীৰ এই কাণ্ডক উভতি ধৰা দেখা গৈছে কংগ্ৰেছেও। কংগ্ৰেছেও ইয়াৰ পিছতে বিজেপিৰ ফেচবুকৰ গ্ৰুপত বাংলাদেশৰ কেবাজনো লোক থকাৰ স্ক্ৰীণশ্বট প্ৰচাৰ কৰি বাংলাদেশৰ পৰা বিজেপি চলিছে নেকি বুলি প্ৰশ্ন কৰি মন্ত্ৰী সিংঘাল আৰু জয়ন্ত মল্ল বৰুৱাক প্ৰতি আক্ৰমণ চলাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অ'এনজিচিৰ বিষয়াক অপহৰণৰ

ব্লুপ্ৰিণ্ট ৰচিছিল সেই সন্দৰ্ভত শিৱসাগৰ জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰাই আজি এক সংবাদ মেল সম্বোধন কৰে। কালি শিৱসাগৰত সংঘটিত অভিযান আৰু আজি বকতাত সংঘটিত এনকাউণ্টাৰৰ বিষয়ে সদৰী কৰি আৰক্ষী বিষয়াগৰাকীয়ে কয় যে বকতা নেমুগুৰিত থকা এটা অ'এনজিচি ৰীগৰ পৰা কৰ্মচাৰী অপহৰণৰ পৰিকল্পনা কৰিছিল আলফাই। এই কামত আলফাক সহযোগ কৰিছিল শিৱসাগৰ নগৰৰ নিৱাসী অ'এনজিচিৰ এজন কৰ্মচাৰী তাহিৰুল হুছেইনে। ইৰচাদ লটিফ নামৰ এজন লোকৰ সহযোগত তাহিৰুল হুছেইনে উক্ত ৰীগৰ কৰ্মচাৰীৰ তথ্য প্ৰদান কৰিছিল আজি আৰক্ষীৰ গুলীত আহত হোৱা ৰাহুল হাজৰিকাক। যোৱা মে' মাহৰ পৰা অপহৰণৰ ব্লুপ্ৰিণ্ট তৈয়াৰ কৰি চলিত মাহৰ প্ৰথম সপ্তাহত উক্ত অপহৰণ সংঘটিত কৰাৰ কথা আছিল। কিন্তু আৰক্ষীয়ে লাভ কৰা আগতীয়া খবৰৰ ভিত্তিত কৰা প্ৰয়াসত বিফল হৈছিল উক্ত অপহৰণৰ পৰিকল্পনা। উল্লেখযোগ্য যে কালি শিৱসাগৰ নগৰৰ বাবুপট্টিস্থিত তাহিৰুল হুছেইন আৰু ইৰচাদ লটিফৰ ঘৰত চলোৱা অভিযানৰ পাছত আৰক্ষীয়ে ইৰচাদ লটিফক গ্ৰেপ্তাৰ কৰে যদিও পলায়ন কৰে তাহিৰুল হুছেইন। আনহাতে একে ঘটনাৰ ভিত্তিত আৰক্ষীয়ে আজি পুৱতি নিশা গ্ৰেপ্তাৰ কৰিছিল ৰাহুল হাজৰিকাক। মৰাণ খটখটিৰ পৰা নেমুগুৰি অভিমুখে আনি থাকোঁতেই আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা কৰোতে আৰক্ষীৰ গুলীত আহত হয় আলফাৰ লিংকমেন ৰাহুল হাজৰিকা। ঘটনা সন্দৰ্ভত নেমুগুৰি থানাত ১১/২০২৪ নম্বৰৰ এক গোচৰ ৰুজু কৰি ইউপিএ আইনৰ ৬১(২)/১৪০(২)/৬২/৩(৫) বি এন এছ, আৰ ব্লিউ ১০/১৩ ৰ অধীনত তদন্ত অব্যাহত ৰাখিছে। আৰক্ষী অধীক্ষকগৰাকীয়ে আজি সংবাদমেলত জনোৱা অনুসৰি যোৱা ৬ অক্টোবত বকতাত থকা অ'এনজিচিৰ এটা ৰিগৰপৰা সন্ধিয়া ৫-৬ বজাৰ ভিতৰত তাত কৰ্মৰত দুই বা ততোধিক উচ্চপদস্থ অ এন জি চিৰ বিষয়াক অপহৰণৰ পৰিকল্পনা কৰিছিল ৰাহুল হাজৰিকা ওৰফে লাডেন, তাহিৰুল হুছেইন আৰু ইতিমধ্যে আটকাধীন হৈ থকা ইৰচাদ লটিফে। একেটো ৰিগতে এচিষ্টেন্ট ইঞ্জিনিয়াৰ হিচাপে কাম কৰিছিল তাহিৰুল হুছেইনে। ৰিগটোত কৰ্মৰত সকলো উচ্চপদস্থ বিষয়াৰ তথ্যপাতি যোগান ধৰিছিল তাহিৰুল হুছেইনে। আনহাতে এই সমগ্ৰ অপহৰণ সংঘটিত কৰিবৰ কাৰণে ৫ তাৰিখেই তাহিৰুলৰ ঘৰত বাহৰ পাতিছিল ছালফা লাডেনে। ৬ তাৰিখে পুৱা এখন ইনভা গাড়ীৰে তিনিও চৰাইদেউৰৰ সমীপৰ অসম নগালেণ্ড সীমান্তৰ পৰা চাৰিজন আলফা কেডাৰক গাড়ীত উঠাই আহি দিনৰ ভাগত ঘূৰি ফুৰিছিল শিৱসাগৰৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত। সন্ধিয়া নিৰ্দিষ্ট সময়ত অপহৰণৰ পৰিকল্পনা কৰা হৈছিল যদিও এই পৰিকল্পনা বিফল হয়। সমগ্ৰ ঘটনাৰ পম খেদি আৰক্ষীয়ে ছালফা ৰাহুল হাজৰিকাক মৰাণৰ পৰা পুৱতি নিশা আটক কৰে। বকতাৰ নেমুগুৰিৰ নিৰ্দিষ্ট ৰিগলৈ অনুসন্ধানৰ বাবে লৈ যোৱা অৱস্থাত এনকাউণ্টাৰ কৰে। ভৰিত আঘাতপ্ৰাপ্ত হোৱা লাডেনক ইতিমধ্যে প্ৰেৰণ কৰা হৈছে ডিব্ৰুগড় মেডিকেল কলেজলৈ। ইফালে অ'এনজিচিৰ বিষয়া তাহিৰুল হুছেইন বৰ্তমানেও পলাতক। আৰক্ষীয়ে তাহিৰুলক বিচাৰি অব্যাহত ৰাখিছে অভিযান।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাতত সংবিধান লৈ আজিৰে পৰা

দিছিল সেই কথাষাৰিক। ভাৰতীয় ন্যায় ব্যৱস্থাক অন্ধ আখ্যা দি নিৰ্মাণ হৈছিল বহু চিনেমা, নাটক, গীত, সাহিত্যৰ। কিন্তু এতিয়া সময় সলনি হৈছে। বৃটিছ যুগৰ পৰা আগবাঢ়ি এক নতুন ন্যায়িক যুগত প্ৰৱেশ কৰিছে ভাৰত। শেহতীয়াকৈ সলনি কৰা হৈছে ভাৰতত স্বাধীনোত্তৰ কালৰ পৰাই প্ৰচলিত হৈ অহা বৃটিছ আইন আৰু ইয়াৰ ঠাই লৈছে ভাৰতীয় ন্যায় সংহিতাই। ন্যায়িক ব্যৱস্থা সলনি হৈছে যেতিয়া প্ৰতীক সলনি নহ'ব কিয়? এনে কাৰণতে এতিয়া সলনি কৰা হৈছে আদালতৰ সেই চিৰপৰিচিত ন্যায় দেৱীৰ প্ৰতিমূৰ্তি। নতুন ভাৰতৰ এই নতুন ন্যায় ব্যৱস্থাত এতিয়া চকুৰ ক'লা কাপোৰখন আঁতৰাই চকু মেলি থিয় দিছে ন্যায় দেৱীৰ মূৰ্তি। সমান্তৰালভাৱে আঁতৰিছে তেওঁৰ এহাতে থকা তৰোৱালখনো, তাৰ ঠাই লৈছে ভাৰতীয় সংবিধানে। উচ্চতম ন্যায়ালয়ে নিজৰ প্ৰতীকৰ লগতে ন্যায় ব্যৱস্থাৰ এই পৰিৱৰ্তন কৰি কয় যে এই পৰিৱৰ্তনে দেশৰ বাবে এক স্পষ্ট বাৰ্তা দিছে যে 'আইন অন্ধ নহয়', আইন এতিয়া সজাগ আৰু সকলোকে সমানভাৱে ন্যায়প্ৰদান কৰে। উল্লেখ্য যে, ন্যায় ব্যৱস্থাৰ এই পৰিৱৰ্তনৰ মুল চালক হৈছে দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়। তেওঁৰ নিৰ্দেশত ন্যায়ৰ দেৱীৰ মূৰ্তিত এই ৰূপান্তৰ সাধন হয়। এই নতুন মূৰ্তি সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ পুথিভঁৰালত প্ৰতিস্থাপিত কৰা হৈছে, য'ত দেৱীক চকু মেলি দেখা যায়। আগৰ মূৰ্তিত দেৱীৰ চকুত ক'লা কাপোৰ বন্ধা আছিল আৰু তেওঁ এখন হাতত আছিল তৰোৱাল। কিন্তু এতিয়া সেই তৰোৱালৰ সলনি দেৱীৰ হাতত আছে ভাৰতীয় সংবিধান। অন্যহাতে আনখন হাতত পূৰ্বৰ দৰেই আছে তৰজুখন। মুখ্য ন্যায়াধীশ চন্দ্ৰচূড়ৰ মতে, ইংৰাজৰ পৰম্পৰা আৰু ধাৰণা পৰিত্যাগ কৰি নতুন দৃষ্টিভংগীৰে আগবঢ়াটো বৰ্তমান সময়ত একান্তই প্ৰয়োজনীয়। তেওঁ কয় যে আইন কেতিয়াও অন্ধ নহয়; সেয়া সকলোৰে ওপৰত সমানভাৱে প্ৰযোজ্য। সেয়েহে ন্যায়ৰ দেৱীৰ নতুন মূৰ্তিত তেওঁৰ হাতত তৰোৱালৰ সলনি সংবিধান তুলি দিয়া হৈছে, যাৰ অৰ্থ হৈছে ন্যায়ৰ দেৱীয়ে সংবিধানৰ অধীনত ন্যায় প্ৰদান কৰে। মুখ্য ন্যায়াধীশ চন্দ্ৰচূড়ে কয় যে তৰোৱাল হিংসাৰ প্ৰতীক, কিন্তু আদালতে কেতিয়াও হিংসাৰ পথত নাযায়। আদালতে সংবিধানৰ নিয়মৰ ভিত্তিত ন্যায় প্ৰদান কৰে। কিন্তু তৰজুখন পূৰ্বৰ দৰেই অপৰিৱৰ্তিত ৰখা হৈছে, কিয়নো কাৰণ সেয়া সমতা আৰু ন্যায়ৰ প্ৰতীক হিচাপে বিবেচিত হয়। লক্ষণীয় যে, মুখ্য ন্যায়াধীশ চন্দ্ৰচূড়ৰ পৰামৰ্শত ন্যায়ৰ দেৱীৰ মূৰ্তিক নতুন ৰূপত গঢ়ি তোলা হৈছে। এই নতুন মূৰ্তি সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ পুথিভঁৰালত প্ৰতিস্থাপিত হৈছে। প্ৰণিধানযোগ্য যে, ইউনানৰ পুৰণি দেবী জাষ্টিয়াক ন্যায়ৰ দেৱী বুলি গণ্য কৰা হৈছিল। তেওঁৰ পৰাই উৎপত্তি ঘটে 'জাষ্টিছ' শব্দৰ। ন্যায় যাতে সৰ্বদা নিৰপেক্ষভাৱে প্ৰদান কৰা হয়, তাৰ বাবেই তেওঁৰ চকুত বান্ধি থোৱা হৈছিল এখন ক'লা কাপোৰ। গ্ৰীকৰ পৰা এই মূৰ্তি বৃটিছৰ হাতলৈ আহে আৰু ১৭শ শতাব্দীত এক ইংৰাজ ন্যায়িক বিষয়াই ভাৰতলৈ আনে। তেতিয়াৰ পৰাই এই মূৰ্তি স্বাধীনতাৰ পিছতো ভাৰতীয় ন্যায়ালয় তথা ন্যায় ব্যৱস্থাৰ এক প্ৰতীকী অংশ হিচাপে পৰিগণিত হৈ আহিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি কাতি বিহু

ধৰা ধানৰ সোণালী আভা। লগতে আমোলমোল শেৱালিৰ গোন্ধে সকলোৰে মন-প্ৰাণ কৰি তুলিছে মতলীয়া। ঠিক এনে এক প্ৰাণোৎজ্জল পৰিৱেশৰ মাজতে আকৌ আহিল অসমীয়াৰ অতি হেঁপাহৰ উৎসৱ কাতি বা কঙালী বিহু। চহা জীৱনৰ লগত কাতি বিহুৰ আছে এক নিবিড় সম্পৰ্ক। সেয়ে এতিয়া কৃষিজীৱি লোকৰ বুকুৰ আপোন খেতি পথাৰ শস্য শ্যামলা হোৱাৰ কামনাৰে বিহুটিক পালিবলৈ সকলো সাজু হৈছে। পৰম্পৰা অনুসৰি কাইলৈ প্ৰতিজন অসমীয়াৰ আগচোতালৰ তুলসী বৃক্ষৰ তলত আৰু খেতিপথাৰত গৃহিনীয়ে চাকি-বন্তি জ্বলাই সেৱা আগবঢ়োৱাৰ লগতে কৃষিভূমিত লহপহকৈ বাঢ়ি অহা ধাননিডৰাত কৃষকে জ্বলাব আকাশ বন্তি। তদুপৰি এই বিহুৰ আন এক আনুসংগিক পৰম্পৰা অনুসৰি গঞ্জাই থোৰ মেলা তথা গেৰ ধৰা ধাননেৰে লহপহীয়া হৈ পৰা ধাননি পথাৰত অনিষ্টকাৰী পোক-পতংগৰ পৰা শস্য ৰক্ষা কৰিবলৈ চোৰা গছৰ ডাল পোতাৰ বিপৰীতে জাকে জাকে যুৱক-যুৱতী আৰু মহিলাসকলে পথাৰলৈ গৈ হাঁহি-তামাচাৰে ৰবাব টেঙা খাই তাৰ বাকলিবোৰ ঠন ধৰি উঠা ধাননিলৈ দলিয়াই দি আনন্দত আত্মহাৰা হৈ পৰিব। আনহাতে বহিঃৰাজ্যৰ হাজাৰ-বিজাৰ উৎসৱ আমদানি কৰিবলৈ ভালপোৱা মহানগৰবাসীয়েও কাতি বিহু পালন কৰিবলৈ অলপ-অচৰপকৈ প্ৰস্তুতি চলোৱা দেখা গৈছে। গণেশগুৰি, বেলতলা, মালিগাঁও আদিত একাংশ ব্যৱসায়ীয়ে আজি লক্ষ্মী পূজা উপলক্ষে ধানৰ সীহ আদি বিক্ৰী কৰাৰ সমান্তৰালভাৱে তুলসীৰ পুলিও বিক্ৰী কৰিছে। এনেকৈয়ে এতিয়া মূল্যবৃদ্ধিয়ে জুৰুলা কৰা প্ৰতিগৰাকী অসমীয়া কঙাল অৱস্থাৰ পৰা মুক্তি বিচাৰি কাইলৈ পালন কৰিব কাতি বিহু।

# ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ত শপত গ্ৰহণ




**ই-সংবাদ, বৰপেটা, ১৬ অক্টোবৰঃ** আজি বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ নতুন এমবিবিএছ বেটচটোৱে উত্তৰাধিকাৰী সূত্ৰে সেৱা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি গ্ৰহণ কৰে। অৰিয়েন্টেচন আৰু শপত গ্ৰহণ কাৰ্যসূচীত শিক্ষামন্ত্ৰী ৰণোজ পেগু, বৰপেটা জিলাৰ জিলা আয়ুক্ত ৰোহন কুমাৰ ঝা, মহাবিদ্যালয়খনৰ অধ্যাপক, বিভাগৰ মুৰব্বীসকল উপস্থিত থাকে। চিকিৎসা সেৱাৰ বাবে সাজু নতুন চিকিৎসকসকলক অভিনন্দন জনাই শিক্ষা মন্ত্ৰী পেগুৱে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অদম্য প্ৰচেষ্টাক প্ৰশংসা কৰে। মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰাজ্যখনত নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ দিশত যাত্ৰা আৰম্ভ হৈছে আৰু এমবিবিএছৰ ছাত্ৰ-ছাত্ৰীৰ আসন ১৬০০ লৈ বৃদ্ধি পোৱাৰ লগতে অনাগত দিনত ভালেকেইখন চিকিৎসা মহাবিদ্যালয় খোলাৰ বাবে কাম চলি আছে বুলি কয় পেগুৱে। ২০১৩ চনত মুকলি ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় অগ্ৰগতিৰ বিষয়ে মন্তব্য কৰি মন্ত্ৰী পেগুৱে কয় যে প্ৰতিষ্ঠানখনে ডাঙৰ অগ্ৰগতি লাভ কৰিছে আৰু বছৰ বছৰ ধৰি ইয়াৰ বৃদ্ধি স্পষ্ট হৈ পৰিছে। নতুনকৈ নিযুক্তি পোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বোধন কৰি মন্ত্ৰী পেগুৱে শিক্ষণ আজীৱন প্ৰক্ৰিয়া হ'ব লাগে বুলিও কয়। অধ্যক্ষ ড০ ৰমেন তালুকদাৰকে ধৰি প্ৰতিষ্ঠানখনৰ মূল ব্যক্তিসকলেও ছাত্ৰ-ছাত্ৰীসকলক সম্বোধন কৰি মহাবিদ্যালয়খনত তেওঁলোকৰ নতুন দায়িত্ব আৰু নিয়ম-নীতিৰ বিষয়ে অৱগত কৰে।

## ৭২ ঘণ্টাৰ বাবে ইণ্টাৰনেট সেৱা স্থগিত প্ৰশাসনৰ

# উত্তৰ ত্ৰিপুৰাৰ পেকুচেৰাত ভয়ংকৰ সাম্প্ৰদায়িক সংঘৰ্ষত কেইবাটাও মছজিদৰ ক্ষতি

**ই-সংবাদ, আগৰতলা, ১৬ অক্টোবৰঃ** মঙলবাৰে উত্তৰ ত্ৰিপুৰাৰ পেকুচেৰাত সংঘটিত সাম্প্ৰদায়িক সংঘৰ্ষৰ ফলত চেপা উত্তেজনা অব্যাহত আছে। পৰিস্থিতি স্বাভাৱিক অৱস্থালৈ ঘূৰি আনিবলৈ প্ৰয়াস কৰি থকা বুলি জানিব পৰা গৈছে। নিৰাপত্তা বাহিনীয়ে ফ্লেগ কৰা পৰিলক্ষিত হৈছে। ঘটনা প্ৰকৃততে কি পুংখানুপুংখ তদন্ত কৰা হৈছে। ৰাজ্য আৰক্ষীয়ে কয় যে শান্তি পুনৰুদ্ধাৰৰ বাবে যথাসাধ্য প্ৰয়াস কৰি থকা হৈছে। মঙলবাৰে ভিৰে উপদ্ৰৱ চলাইছিল যদিও বুধবাৰে কোনো লোকক সমৱেত হ'বলৈ দিয়া নাই প্ৰশাসনে। সুৰক্ষা ব্যৱস্থা কৰি নিৰীক্ষণ কৰিছে আৰক্ষীয়ে। খবৰ অনুসৰি দুৰ্বৃত্তৰ এটা দলে শিৱ মন্দিৰত আক্ৰমণ কৰাৰ পিছত দুটা পক্ষৰ সংঘাত লাগে। ছচিয়েল মিডিয়াত এই খবৰ প্ৰচাৰ হোৱাত একাংশ লোকে স্থানীয় মছজিদসমূহক লক্ষ্য কৰি লয়। ফলত উত্তেজনা বৃদ্ধি পোৱাত ত্ৰিপুৰা আৰক্ষী, অৰ্ধসামৰিক বাহিনী মোতায়েন কৰা হয়। উত্তৰ ত্ৰিপুৰা জিলাৰ আৰক্ষী অধীক্ষক ভানুপদা চক্ৰৱৰ্তীয়ে বৰ্তমান পৰিস্থিতি ক্ষান্ত বুলি দাবী কৰিছে। কিন্তু চক্ৰৱৰ্তীক তেওঁৰ পদৰ পৰা আঁতৰাই আৰক্ষী মুখ্য কাৰ্যালয়লৈ বদলি কৰা হয়। ভাৰতীয় নগৰিক সুৰক্ষা সংহিতাৰ (বিএনএছএছ) ধাৰা ১৬৩-ৰ অধীনত কেইবাটাও আদেশ জাৰি কৰা হৈছে। ৰাজ্য চৰকাৰে সমগ্ৰ উত্তৰ ত্ৰিপুৰা জিলাত ৭২ ঘণ্টাৰ বাবে ইণ্টাৰনেট সেৱা স্থগিত ৰাখিছে। উনাকোটি জিলাত ইণ্টাৰনেট সেৱা বন্ধ ৰখা হৈছে। ইণ্টাৰনেটত ভুল তথ্য বিয়পি পৰাৰ আশংকা কৰে প্ৰশাসনে। আজি হাজাৰ হাজাৰ সংখ্যালঘুৱে প্ৰতিবাদী সমদল উলিয়াই সুৰক্ষা দাবী কৰে। উপাসনাস্থলীত হোৱা আক্ৰমণক গৰিহণা দি আক্ৰমণত জড়িত অপৰাধীসকলক গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনাই আৰু উনাকোটি জিলাৰ আৰক্ষী অধীক্ষক কান্তা জাংগীৰে গ্ৰেপ্তাৰ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।



**হাতে হাত ধৰিঃ জম্মু কাশ্মীৰৰ নতুন মুখ্যমন্ত্ৰী শপতগ্ৰহণত লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী**

# হাজোৰ বৰচাপৰিত কলাজল নৈত নিখোজ পিংকু

**ই-সংবাদ, ১৬ অক্টোবৰ, হাজোঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বৰচাপৰি অঞ্চলৰে বৈ যোৱা কলাজল নৈত হাজো কৈৱৰ্তটোলাৰ এজন যুৱক নিখোজ হৈ থকাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। কালি দিনৰ ভাগত গা ধুবলৈ নৈৰ নৈৰ মধ্যম অংশলৈ যোৱাৰ মুহূৰ্ততে নিখোজ হয় হাজো কৈৱৰ্তটোলাৰ পিংকু দাস (২৩)। সন্ধানহীন যুৱকজনক উদ্ধাৰৰ বাবে স্থানীয় ৰাইজৰ লগতে হাজো আৰক্ষী আৰু এছ.ডি.আৰ.এফ বাহিনীয়ে অভিযান অব্যাহত ৰাখিছে। যদিও বাতৰি যুগুতোৱা সময়লৈকে উদ্ধাৰ হোৱা নাই নিখোজ যুৱকজন। কাঁহ-পিতলৰ বাচন বৰ্তন ঘৰে ঘৰে গৈ বিক্ৰী কৰি কোনোমতে পৰিয়াল পোহপাল দিয়া পিংকু দাস কলাজল নৈত সন্ধানহীন হৈ থকাত শোকত ভাগি পৰিছে পৰিয়াল-গাঁওবাসী।

## গৰম চামগুৰিৰ উপ-নিৰ্বাচনৰ বতাহ

# ৰকিবুল হুছেইনক অহংকাৰী নেতা আখ্যা মন্ত্ৰী পীয়ুষৰ

**ই-সংবাদ, পুৰণিগুদাম, ১৬ অক্টোবৰঃ** ৰকিবুল হুছেইন এগৰাকী অহংকাৰী আৰু প্ৰতিশোধ পৰায়ণ নেতা। নিজৰ সমষ্টিৰ মানুহখিনিকে টিভিৰ জৰিয়তে ভাবুকি প্ৰদান কৰিছে। যোৱা কালি কংগ্ৰেছৰ ৰেলীত সংঘটিত অপ্ৰীতিকৰ ঘটনাৰ পাছতে "এটা এটা পাথৰৰ উত্তৰ দিম" বুলি হুংকাৰ দিয়া ৰকিবুল হুছেইন নিশ্চিতভাৱে এগৰাকী ব্যৰ্থ নেতা। ৰকিবুল হুছেইনে ৰূপহীৰ পৰা, ধিঙৰ পৰা মানুহ আনি নিজৰ ব্যৰ্থতাৰ পৰিচয় দাঙি ধৰিছে। এই মন্তব্য অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীয়ুষ হাজৰিকাৰ। ৰাজ্যত উপ-নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পাছতে আজি নগাঁও জিলাৰ ৮৮ নং চামগুৰি বিধানসভা সমষ্টিত অনুষ্ঠিত হোৱা প্ৰথমখন নিৰ্বাচনী সভাত উপস্থিত থাকি মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে, ৰকিবুল হুছেইনে চামগুৰিত পৰিয়ালকেন্দ্ৰীক ৰাজনীতি চলাই আছে। কেৱল সেয়াই নহয়, নিজৰ পুত্ৰক কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে চামগুৰিত প্ৰক্ষেপ কৰি নিজৰ পুত্ৰকে ক্ষতি কৰিছে। যুৱ প্ৰজন্মৰ নেতাগৰাকীক ধ্বংসাত্মক ৰাজনীতি শিকাই ৰকিবুল হুছেইনে নিজৰ পুত্ৰক ক্ষতি কৰিছে। কংগ্ৰেছ দল আৰু অহংকাৰী কংগ্ৰেছ নেতা হিচাপে অভিহিত ৰকিবুল হুছেইনক ক্ষুৰধাৰ সমালোচনা কৰি মন্ত্ৰী হাজৰিকাই আৰু কয়, ৰকিবুল হুছেইনে নিজৰ সমষ্টিৰ দক্ষিণ অংশত ৰাস্তা-ঘাট আদিকে ধৰি উন্নয়নৰ কাম একোকে নকৰি ৰাইজক বঞ্চিত কৰিলে আৰু চামগুৰি সমষ্টিৰ অন্তৰ্গত কাৰৈমাৰী, মাগুৰমাৰী আদি অঞ্চলকে ধৰি উত্তৰ অংশত একাংশ গুণ্ডাৰ সৃষ্টি কৰি ল'লে। বনমন্ত্ৰী হৈ থকাৰ দিনত চোৰাং চিকাৰীক গঁড় হত্যা কৰিবলৈ উৎসাহ যোগোৱা ৰকিবুল হুছেইন এগৰাকী গঁড় হত্যাকাৰী। ৰকিবুল হুছেইনে সমষ্টিৰ উন্নয়ন কৰিব নোৱাৰি ধুবুৰীলৈ পলাই পত্ৰং দিছে। এইবাৰ পাপৰ প্ৰায়চিত্ত হ'ব। চামগুৰি সমষ্টিৰ ৰাইজে এটা এটা ভোট পদুম ফুলত দি উচিত উত্তৰ দিব লাগিব বুলি আহ্বান জনোৱাৰ লগতে উদাত্ত কণ্ঠে দিয়া নিজৰ ভাষণত অগপ, গণশক্তি, এপিপিএল দলক বিজেপিৰ অভিন্ন অঙ্গ বুলি উল্লেখ কৰে। আজি চামগুৰি সমষ্টিৰ অন্তৰ্গত পদুমণি আঞ্চলিক সাৰ্বজনীন পূজা মণ্ডপত অনুষ্ঠিত হোৱা আৰু ভাৰতীয় জনতা পাৰ্টিৰ কলিয়াবৰ জিলা সমিতিৰ সভাপতি বাবুল বৰাই আঁত ধৰা প্ৰথমখন নিৰ্বাচনী সভাত বিজেপি নেতা তথা সমাজকৰ্মী সুৰেশ বৰাই প্ৰথমে বক্তব্য প্ৰদান কৰি উপস্থিত সকলোকে লক্ষ্মীপূজাৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে অনাগত দিনত চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক দিপ্লুৰঞ্জন শৰ্মাক বিপুল ভোটত জয়যুক্ত কৰিবলৈ আহ্বান জনায়। আজিৰ সভাত ৰাজ্যিক বিজেপিৰ কাৰ্যকৰী সদস্য তথা এগ্ৰিকালছাৰ মাৰ্কেটিং বৰ্ডৰ অধ্যক্ষ জয়ন্ত ডেকা, অগপ দলৰ কেন্দ্ৰীয় শ্ৰম পৰিষদৰ সম্পাদক মাণিক গায়ন, অগপ দলৰ বঢ়মপুৰ সমষ্টিৰ তথ্য প্ৰযুক্তি সম্পাদক খগেন কুমাৰ গায়নে চামগুৰি সমষ্টিৰ উন্নয়ন আৰু দীৰ্ঘদিনীয়া নানান সমস্যা সমাধানৰ বাবে দিপ্লুৰঞ্জন শৰ্মাক বিজয়ী কৰোৱাটো অত্যন্ত জৰুৰী বুলি উল্লেখ কৰি এইবাৰ এটাও ভোট লোকচান নকৰাকৈ সকলোকে ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়। আজিৰ সভাত মিত্ৰজোঁটৰ প্ৰক্ষেপিত প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই সমষ্টিবাসীলৈ কাতি বিহুৰ শুভেচ্ছা জ্ঞাপন কৰি আদৰণি অনুষ্ঠানৰ আঁচ ধৰে আৰু নিজৰ ভাষণত উন্নয়নৰ ৰাজনীতি কৰিম বুলি উল্লেখ কৰি অনাগত দিনত যুৱ-প্ৰজন্মৰ বাবে চামগুৰি সমষ্টিৰ চাৰিটা ব্লকত ইনষ্টিটিউট নিৰ্মাণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। লগতে এইবাৰ কংগ্ৰেছ নিৰ্ঘাত হাৰিব বুলি কৈ বিজেপিয়ে তৃতীয়বাৰৰ বাবেও অসমত চৰকাৰ গঠন কৰিব বুলি উল্লেখ কৰে। আজিৰ সভাত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী পুৰণিগুদাম মণ্ডল বিজেপিৰ সভাপতি মিন্টু শৰ্মাকে প্ৰমুখ্য কৰি স্থানীয় বহু নেতা-কৰ্মী উপস্থিত থাকে। এনেকৈ বিজেপিৰ প্ৰক্ষেপিত প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই সকলো স্থানতে নিজৰ শক্তিশালী স্থিতিৰে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছে যদিও অহা ১৩ নৱেম্বৰত হ'ব লগা উপ নিৰ্বাচনত ভোটাৰ ৰাইজে কাৰ পক্ষ লয় সেইটো সময়েহে নিৰূপন কৰিব।

# যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যলৈ স্মাৰক পত্ৰ এজেৰাইচিপিৰ

**ই সংবাদ , বিশ্বনাথ, ১৬ অক্টোবৰঃ** অসম জাতীয়তাবাদী যুৱ - ছাত্ৰ পৰিষদ বিশ্বনাথ জিলা সমিতিয়ে বিশ্বনাথ চাৰিআলিত কিছু সময়ৰ বাবে আহি উপস্থিত হোৱা যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য গৰাকীক সাক্ষাৎ কৰি বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ লগত সম্পৰ্ক থকা বিশ্বনাথবাসী ৰাইজৰ স্বাৰ্থত কেইবাটাও দাবী সম্বলিত স্মাৰকপত্ৰ এখন প্ৰদান কৰে । বিশেষকৈ বৰ্তমানৰ বিশ্বনাথ কৃষি মহাবিদ্যালয়খন কৃষি বিশ্ববিদ্যালয়লৈ উন্নীতকৰণ কৰাৰ লগতে কৃষি মহাবিদ্যালয়ৰ অধীনত থকা অব্যৱহৃত ভূমিখণ্ডত নতুনকৈ কৃষি অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰাৰ দাবী জনাই । ইয়াৰ উপৰিও বিশ্বনাথ কৃষি মহাবিদ্যালয়ত বৰ্তমান অস্থায়ী ভাবে কৰ্মৰত হৈ থকা বিভিন্ন বিভাগৰ কৰ্মচাৰী সকলৰ শীঘ্ৰে নিয়মীয়াকৰণ কৰাৰ সমান্তৰাল ভাবে ভৱিষ্যত সময়ৰ বাবে মহাবিদ্যালয়খনত প্ৰয়োজনীয় নতুন নিযুক্তিৰ ক্ষেত্ৰত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ বাবে স্থানীয় প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হওক বুলি অসম জাতীয়তাবাদী যুৱ -ছাত্ৰ পৰিষদৰ দ্বাৰা প্ৰদান কৰা স্মাৰক পত্ৰখনত উল্লেখ কৰে । স্মাৰকপত্ৰ গ্ৰহণ কৰাৰ সময়ত উপাচাৰ্য গৰাকীয়ে পৰিষদৰ নেতৃত্বক পত্ৰত উল্লেখিত দাবী সমূহ সম্পূৰ্ণ কৰাৰ আশ্বাস প্ৰদান কৰে ।

## আজি কাতি বিহু

# পৰম্পৰাগত ৰীতি-নীতিৰে নগাঁৱাই পথাৰত জ্বলাব আকাশ বন্তি



**ই-সংবাদ, বেৰেজীয়া, ১৬ অক্টোবৰঃ** সমগ্ৰ ৰাজ্যৰ গ্ৰামাঞ্চলৰ পথাৰে পথাৰে এতিয়া বিয়পি পৰিছে সজল ধৰা ধানৰ সোণালী আভা। লগতে আমোলমোল শেৱালীৰ গোন্ধে সকলোৰে মন-প্ৰাণ কৰি তুলিছে মতলীয়া। ঠিক এনে এক প্ৰাণোৎজ্জ্বল পৰিবেশৰ মাজতে আকৌ আহিল অসমীয়াৰ অতি হেঁপাহৰ উৎসৱ কাতি বা কঙালী বিহু। চহা জীৱনৰ লগত কাতি বিহুৰ আছে এক নিবিড় সম্পৰ্ক। সেয়ে এতিয়া কৃষিজীৱি লোকৰ বুকুৰ আপোন খেতি পথাৰ শস্য শ্যামলা হোৱাৰ কামনাৰে বিহুটিক পালিবলৈ সকলো সাজু হৈছে। ইয়াৰ ব্যতিক্ৰম নহয় নগাঁও জিলাও। অত্যাৱশ্যকীয় সামগ্ৰীৰ অত্যাধিক মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ লোকসকলক ব্যাপক সমস্যাৰ সন্মুখিন কৰালেও জিলাখনৰ গ্ৰামাঞ্চলবোৰত দেখা গৈছে বিহুকেন্দ্ৰীক ব্যস্ততা। আচলতে নগাঁও কৃষকসকলৰ সমানে সমানে বিহুটিক আদৰিবলৈ পিছ পৰি থকা নাই গাঁৱৰ জীৱৰী-বোৱাৰীসকলো। তেওঁলোকে আগচোতালত ৰুৱা তুলসীৰ তল চাফ-চিকুন কৰি বোকা-পানীৰে মচি সজাই-পৰাই তুলিছে। কিয়নো পৰম্পৰা অনুসৰি কাইলৈ প্ৰতিজন অসমীয়াৰ আগচোতালৰ তুলসী বৃক্ষৰ তলত আৰু খেতিপথাৰত গৃহিনীয়ে চাকি-বন্তি জ্বলাই সেৱা আগবঢ়োৱাৰ লগতে কৃষিভূমিত লহপহকৈ বাঢ়ি অহা ধাননিডৰাত কৃষকে জ্বলাব আকাশ বন্তি। তদুপৰি এই বিহুৰ আন এক আনুসংগিক পৰম্পৰা অনুসৰি গঞাই থোৰ মেলা তথা গেৰ ধৰা ধানেৰে লহপহীয়া হৈ পৰা ধাননি পথাৰত অনিষ্টকাৰী পোক-পতংগৰ পৰা শস্য ৰক্ষা কৰিবলৈ চোৰা গছৰ ডাল পোতাৰ বিপৰীতে জাকে জাকে যুৱক-যুৱতী আৰু মহিলাসকলে পথাৰলৈ গৈ হাঁহি-তামাচাৰে ৰবাব টেঙা খাই তাৰ বাকলিবোৰ ঠন ধৰি উঠা ধাননিলৈ দলিওৱাই দি আনন্দত আত্মহাৰা হৈ পৰিব। ইফালে, কণ কণ ল'ৰা-ছোৱালীয়ে তুলসীৰ তলত নাম গোৱাটো আন এক পৰম্পৰা। মুঠৰ ওপৰত নগাঁৱৰ প্ৰতিজন অসমীয়া প্ৰস্তুত হৈছে প্ৰাণৰ উৎসৱ কাতি বিহু উদযাপনৰ নিমিত্তে।

# বাজি উঠিল ডবা কাঁহ, খোল-তাল, মাজুলীত ৰাসলীলাৰ নাটমেলা পৰ্ব আৰম্ভ



**ই-সংবাদ, মাজুলী, ১৬ অক্টোবৰঃ** মাজুলীৰ বাবে শৰৎ বুলিলেই যেন ৰাস-পালনাম। বিশেষকৈ শৰৎ অহাৰ লগে লগেই নদীদ্বীপ মাজুলীয়ে ন ৰূপত প্ৰাণ পাই উঠে। মাজুলীৰ শাৰদীয় মূল উৎসৱ আউনীআটী সত্ৰৰ পালনাম আৰু ৰাসোৎসৱৰক লৈ মাজুলীবাসী অধীৰ বাট চাই থাকে। আজি লক্ষ্মী পূজা।পঞ্জিকা অনুসৰি দুদিনীয়াকৈ মিলা এই লক্ষ্মী আজি পৱিত্ৰ ক্ষণতে মাজুলীৰ সত্ৰৰ লগতে অৰ্ধ সংখ্যক মঞ্চত পৰম্পৰাগত ভাৱে পৰৱৰ্তী পূৰ্ণিমা তিথিত অনুষ্ঠিত হ'ব লগা শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ আখৰা তথা 'নাট মেলা পৰ্ব' মাংগলীক বিধি অনুসৰি অনুষ্ঠিত কৰা হৈছে ।আনহাতে কিছু সংখ্যক মঞ্চত কালিলৈ এই নাট মেলা পৰ্ব মাংলীক ভাবে আয়োজন কৰিব।আজিৰ পৰা আৰম্ভ হোৱা এই নাট মেলা পৰ্ব এমাহৰ বাবে পূৰ্ণ আখৰা কৰি নৱেম্বৰ মাহৰ ১৫ তাৰিখৰ পৰা ১৮ তাৰিখলৈ তিনিৰ পৰা চাৰি দিনীয়াকৈ অনুষ্ঠিত হব। শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা উদযাপনৰ বাবে আজিৰ পৰা অনাগত এমাহৰ বাবে সমগ্ৰ মাজুলী পৰ্যবসিত হ'ব বৃন্দাবনলৈ । গীত-মাতে, খোলে-তালে চলি থাকিব কংস বধৰ আখৰা । দুপৰ নিশালৈকে চলিব ৰাসৰ আখৰা। আজি মাজুলীৰ প্ৰায় সংখ্যক মঞ্চতেই ৰাস সমিতিয়ে নিজৰ নিজৰ নাট্য মন্দিৰত আনুষ্ঠানিকভাৱে আজি শৰাই,নৈবেদ্য আগবঢ়াই ৰাসৰ নাট মেলা পৰ্ব পালন আৰম্ভ কৰে।বাজি উঠে ডবা কাঁহ খোল তলৰ ধ্বনি।ইফালে আজিৰে পৰাই ব্যস্ততা বাঢ়িব ৰাসৰ লগত জড়িত প্ৰতিগৰাকী শিল্পীৰ পৰা মুখা শিল্পীলৈ, আয়োজক সমিতিলৈ । ইফালে ৰাসৰ সমান্তৰালকৈ ১২-১৬ নৱেম্বৰলৈকে(২৪-২৯ কাতি) শ্ৰী শ্ৰী আউনীআটী সত্ৰৰ ঐতিহাসিক পালনাম। উদুলি-মুদুলি মাজুলী আনন্দ উৎসৱেৰে লোকাৰণ্য হৈ পৰিব ।পালনাম অনুষ্ঠানক লৈ সত্ৰ খনৰ বৈষ্ণৱ সকলো ব্যস্ত হৈ পৰিব ।মাজুলীৰ দুইটা উৎসৱেই এইবাৰ একেলগে অনুষ্ঠিত কৰিব লগা অনুষ্ঠিত কৰিব লগা হোৱাত অধিক ব্যস্ততা বাঢ়িব মাজুলীৰ ৰাইজৰ ।শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ আখৰা তথা নাট মেলা পৰ্ব আৰু লক্ষ্মী পূজাৰ আজিৰ দিনটো মাজুলীৰ বাবে এটা বিশেষ দিন।

# তিনিচুকীয়া পৌৰসভাৰ ৰাস্তা-ঘাটৰ পয়া লগা অৱস্থা

**ই-সংবাদ, ডুমডুমা, ১৬ অক্টোবৰঃ** পৰিকল্পিত চহৰ তিনিচুকীয়ালৈ স্বাগতম! তিনিচুকীয়া পৌৰ সভাৰ এই শ্ল'গান এক প্ৰকাৰৰ প্ৰসহনত পৰিণত হৈছে। অন্তঃকন্দলত বাৰুকৈয়ে বিধ্বস্ত তিনিচুকীয়া পৌৰ সভাৰ কাহিনী কেনো থাকিলে ওৰকে নপৰে। উজনিৰ বাণিজ্যিক চহৰ তিনিচুকীয়া আজি নানান সমস্যাৰে ভাৰাক্ৰান্ত। ক্ষমতাকেন্দ্ৰিক খোৱা-কামোৰাতে ব্যস্ত তিনিচুকীয়া পৌৰ সভাৰ অধীনস্থ তথা উজনিৰ অন্যতম বাণিজ্যিক প্ৰাণকেন্দ্ৰস্বৰূপ তিনিচুকীয়া চহৰৰ প্ৰায়বোৰ পদ পথেই সম্প্ৰতি চহৰখনৰ ক্ষুদ্ৰ ব্যৱসায়ীৰ বেদখলৰ কবলত। চহৰখনৰ ক্ষুদ্ৰ-ক্ষুদ্ৰ ব্যৱসায়ীসকলে পদ পথসমূহ দখল কৰি দোকান খুলি ব্যৱসায় চলোৱাত ব্যস্ত। পৰিণতিত পদ পথেদি অহা-যোৱা কৰা যাত্ৰীসকল ভীষণ অসুবিধাৰ সন্মুখীন হৈ আহিছে বহু দিনৰ পৰাই। ৰাজ্যত শাসনাধিষ্ঠ বিজেপিৰ নেতৃত্বাধীন চৰকাৰখনৰ লগতে পৌৰ সভাই এই পদ পথ দখল কৰা ব্যৱসায়ীসকলক এইক্ষেত্ৰত উৎসাহিতহে কৰি অহা বুলি কলেও বঢ়াই কোৱা নহ'ব। কাৰণ, এনে ক্ষুদ্ৰ ব্যৱসায়ীসকলক উচ্ছেদ কৰিলে নিৰ্বাচনত ভোট নোপোৱাৰ শংকাতে আজিলৈকে উচ্ছেদৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অপাৰগ জাতি-মাটি-ভেঁটিৰ কথা কোৱা এইখন চৰকাৰ। আনহাতে, তিনিচুকীয়া চহৰৰ জিএনবি পথৰ একাংশৰ ড্ৰেইনৰ ওপৰত থকা শ্লেপ ভাগি পৰাত পকী শ্লেপৰ পৰিৱৰ্তে প্লাইবৰ্ড দি নাক বচাইছে তিনিচুকীয়া পৌৰ সভাই। অৱশ্যে, লোকসভা নিৰ্বাচনৰ আগতে তিনিচুকীয়ালৈ মুখ্যমন্ত্ৰী আঁহোতে মুখ্যমন্ত্ৰীৰ গুডবুকত নাম লিখাবৰ বাবেই পৌৰপতিয়ে ভগা শ্লে'পৰ ওপৰত প্লাইবৰ্ড দিছিল। ক্ষুদ্ৰ চহৰখনৰ প্ৰতিটো পথতে যান-জটৰ সমস্যাৰ কথাটো নকলেও হ'ব। বিলাসী গাড়ীলৈ বজাৰ কৰিবলৈ অহা ভদ্ৰলোকসকলে পথৰ দুয়োকাষে গাড়ী পাৰ্কিং কৰাৰ ফলত চহৰখনত সৃষ্টি হোৱা অসম্ভৱ যান-জঁটৰ সমস্যাটোৰ কথা ক'বলৈ গলে বহু কথাই উনুকিয়াব লাগিব। এই ক্ষেত্ৰত আৰক্ষী-প্ৰশাসনৰ ভূমিকাও সন্তোষজনক নহয়। আনকি জিলা প্ৰশাসনেও এনে দিশত গুৰুত্ব নিদিয়ে। শ কাৰণ, জিলা প্ৰশাসনে বিষয়টোত গুৰুত্ব দিলেই প্ৰশাসনৰ ওপৰত ৰাজনৈতিক হেঁচা আহি পৰে। যিটো ৰাইজৰ বাবে একেবাৰে কাম্য নহয়। যি সময়ত বিজেপি চৰকাৰে তিনিচুকীয়াত সন্মিলন কেন্দ্ৰ নিৰ্মাণ কৰিলে, সেই সময়তে ক্ষুদ্ৰ তথা বাণিজ্যিক চহৰ তিনিচুকীয়াৰ পদ পথসমূহ দিনক দিনে ব্যৱসায়ীৰ দখললৈ গতি কৰাক লৈ অকণো চিন্তিত নোহোৱা চৰকাৰ তথা জনপ্ৰতিনিধিৰ লগতে জিলাখনৰ অভিভাৱক মন্ত্ৰী তথা উদ্যোগ আৰু বাণিজ্য, ৰাজহুৱা উদ্যোগ আৰু সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী বিমল বড়াই এইক্ষেত্ৰত আগন্তুক দিনত কিবা পদক্ষেপ গ্ৰহণ কৰিবনে? এয়া তিনিচুকীয়াৰ সচেতন ৰাইজৰ প্ৰশ্ন।



# তিনিচুকীয়াৰ বাঘজানত পুনৰ সংঘটিত বিষাক্ত গেছ নিৰ্গমনৰ ঘটনা, আতংকিত ৰাইজ

**ই-সংবাদ, ডুমডুমা, ১৬ অক্টোবৰঃ** তিনিচুকীয়াৰ বাঘজানত পুনৰ সংঘটিত হৈছে গেছ নিৰ্গমনৰ ঘটনা। মঙলবাৰে নিশা প্ৰায় ১০ বজাত বাঘজান-দীঘলটৰং তিনিআলিৰ সমীপত অইল ইণ্ডিয়া লিমিটেডৰ বাঘজানস্থিত বিজিএন-৩, ২০ আৰু ২৮ নং তৈল কূপৰ পৰা বাঘজান ইপিএছ সংযোগী তেল পৰিবাহী পাইপত গেছ নিৰ্গমন হৈ আহিছে। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলজুৰি সৃষ্টি হয় তীব্ৰ চাঞ্চল্যৰ। বাঘজান অঞ্চলৰ যুৱ পৰিৱেশ তথা সংবাদকৰ্মী পাপুল গগৈৰ ভাষ্য অনুসৰি, পাইপ লাইনৰ পৰা ওলোৱা গেছৰ গোন্ধ প্ৰায় ১০০-১৫০ মিটাৰতকৈ অধিক দূৰত্বলৈ বিয়পি পৰিছে। লগে লগে সৃষ্টি হ'য় এক আতংকময় পৰিৱেশ। গেছ নিৰ্গমনৰ পাছতে অইলৰ বিভাগীয় কৰ্তৃপক্ষই ঘটনাস্থলীত উপস্থিত হৈ ৰাইজক জুই, ৰন্ধন গেছ আদি ব্যৱহাৰৰ পৰা বিৰত থাকিবলৈ আহবান জনোৱাৰ লগতে এইক্ষেত্ৰত ৰাইজক সতৰ্ক কৰে। অইলৰ কৰ্মচাৰীৰ তৎপৰতাত অৱশ্যে পুৱা ১১ বজাত গেছ নিৰ্গমন বন্ধ হয়। বিশেষ আৰক্ষী বিভাগৰ উপ-পৰিদৰ্শক অনন্ত মৰাণে ঘটনাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে নিশা তেল চুৰি কৰিবলৈ লৈছিল একাংশ দুষ্ট চক্ৰই। তাৰ পাছতেই এনে ঘটনাৰ সৃষ্টি হয়। এক কথাত ইয়াক তেল চুৰি কাণ্ড বুলিব পাৰি। উল্লেখ্য যে, উক্ত স্থানত পূৰ্বে কেইবাবাৰো অনুৰূপ ধৰণৰ ঘটনা সংঘটিত হৈ আহিছে। এইক্ষেত্ৰত পাইপ লাইনৰ দায়িত্বত থকা কৰ্মচাৰী তথা সুৰক্ষাকৰ্মী চুৰি কাৰ্য ৰোধত সম্পূৰ্ণ বিফল হৈছে। এই ঘটনাই পুনৰবাৰ তাকেই প্ৰমাণ কৰিলে। পাইপ লাইনৰ নিৰাপত্তাত থকা বিভাগটোৱে নিজৰ দায়িত্ব পালনৰ নামত অইলৰ ধন আত্মসাৎ কৰাৰ বিষয়টোক লৈ অইল কৰ্তৃপক্ষক উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনাইছে। ঘটনাৰ সন্দৰ্ভত অইলৰ কৰ্মচাৰীয়ে জানিব দিয়া অনুসৰি, ১.৩ প্ৰেছাৰ (অইলৰ প্ৰেছাৰ গেছ জোখা যন্ত্ৰ)ত এই গেছ নিৰ্গমন হয়।



# বেকী নৈৰ বুকুত জাহ গ'ল কলগাছিয়াৰ ৫ পৰিয়ালৰ ঘৰ-বাৰী

**ই-সংবাদ কলগাছিয়া, ১৬ অক্টোবৰঃ** নামনি অসমৰ জনীয়া সমষ্টিৰ কলগাছিয়া ৰাজহ চক্ৰৰ আমগুৰিগাঁৱত বেঁকী নৈত ব্যাপক খহনীয়া আৰম্ভ হোৱাত শংকিত হৈছে বহু পৰিয়াল। চৰকাৰ তথা প্ৰশাসনে কোনো গুৰুত্ব নিদিয়াৰ ফলত বেঁকী নৈৰ বুকুত ইতিমধ্যে পাঁচটা পৰিয়ালৰ ঘৰ-দুৱাৰ জাহ যায়। কেইবাটাও পৰিয়াললৈ সৃষ্টি কৰিছে তীব্ৰ ভাবুকিৰ। বেঁকী নৈয়ে আপোন ভেটিটো খহাই নিয়াত ঘৰ-দুৱাৰ ভাঙি লৈ নিৰাপদ স্থানলৈ স্থানান্তৰিত হ'বলৈ যুদ্ধসদৃশ পৰিস্থিতিৰ মুখামুখি হোৱা দেখা গৈছে। আমগুৰি গাঁৱৰ খহনীয়াগ্ৰস্থ ৰাইজে কেইবাবাৰো খহনীয়াৰ কবলত পৰি শেষ আশ্ৰয়স্থল সলনি কৰিছে। নিজৰ মাটি ডৰা হেৰুৱাই পথৰ ভিক্ষাৰীত পৰিণত হোৱাৰ লগতে পুনৰবাৰ অঘৰী জীৱন কটাবলগীয়া হোৱাটো নিশ্চিত প্ৰ হৈ পৰিছে। ৱাৰ্ল্ড বেংকৰ দ্বাৰা আৰণ্টীত ধনেৰে বেকী নৈৰ খহনীয়া প্ৰতিৰোধৰ কাম সঠিক ভাবে নকৰাৰ বাবেই জিঅ'বেগসহ কৃষি ভূমিৰ লগতে সাধাৰণ লোকৰ ঘৰ দুৱাৰ নৈৰ বুকুত জাহ যাব ধৰিছে। ভুক্তভোগী ৰাইজে জনীয়াৰ বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলাম আৰু সাংসদ ৰকিবুল ইছলামৰ বিৰুদ্ধে ক্ষোভিত হৈ পৰিছে। শীঘ্ৰে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা নকৰিলে আমগুৰি, শওপুৰ, সুতিৰপাথাৰ, কলগাছিয়াকে ধৰি বৃহত্তৰ অঞ্চল খহনীয়াৰ কবলত পৰি জাহ যাবোটো স্পষ্ট হৈ পৰিছে। চলিত বৰ্ষৰ বানপানীৰ পাছৰে পৰা বিধ্বংসী খহনীয়াৰ ফলত অভয়পুৰী-আমিনগাঁও সংযোগী ৰাজ্যিক ঘাইপথ বেকী নৈৰ খহনীয়াৰ কবলত পৰিছে। শীঘ্ৰে খহনীয়া প্ৰতিৰোধ কৰাৰ লগতে খহনীয়াগ্ৰস্থ লোকক ক্ষতিপূৰণ দিয়াৰ বাবে চৰকাৰ, বৰপেটা জিলা প্ৰশাসন আৰু জনপ্ৰতিনিধিক দাবী জনাইছে ভুক্তভোগী ৰাইজে।

# অভিনেতা পঙ্কজ পল্লৱ শৰ্মাৰ জীৱনক লৈ গ্ৰন্থ

**ই-সংবাদ, ৰঙিয়া, ১৬ অক্টোবৰঃ** সাংস্কৃতিক ক্ষেত্ৰখনৰপৰিচিত নাম পঙ্কজ পল্লৱ শৰ্মা। ডিব্ৰুগড় দূৰদৰ্শনৰ প্ৰথমখন ধাৰাবাহিক 'পত্নী'ৰ পৰিচালক পঙ্কজ পল্লৱ শৰ্মাই শেহতীয়াকৈ আন্তঃৰাষ্ট্ৰীয় বটা প্ৰাপ্ত অসমীয়া কথাছবি 'দিঠকত হেৰাল সপোন' পৰিচালনাৰে বিশেষ খ্যাতি অৰ্জন কৰিছে। কেবাখনো ভিচিডি, ধাৰাবাহিক আৰু ছুটি ছবি পৰিচালনা কৰাৰ লগতে কাহিনী, চিত্ৰনাট্য আৰু সংলাপৰো ৰচক পঙ্কজ পল্লৱ শৰ্মা এগৰাকী সুদক্ষ অভিনেতাও। সাংস্কৃতিক জগতৰ অভিন্ন অংগ হৈ পৰা পৰিচালকে কৰ্ম জীৱনৰ স্বীকৃতি ৰূপে লাভ কৰিছে সংস্কৃতিৰ পূজাৰী উপাধি। জীৱনৰ ২৫টাকৈ বৰ্ষ সাংস্কৃতিক ক্ষেত্ৰখনত উচৰ্গা কৰা পঙ্কজ পল্লৱ শৰ্মাৰ বৰ্ণিল সাংস্কৃতিক কৰ্মৰাজিৰ স্মৃতি লিপি প্ৰকাশৰ লক্ষ্যৰে অভিনন্দন গ্ৰন্থ প্ৰকাশৰ উদ্যোগ হাতত লৈছে। চৈয়দ মোস্তাফা আহমেদৰ সম্পাদনাত 'পঙ্কজ পল্লৱ শৰ্মাৰ সান্নিধ্যত' শীৰ্ষক গ্ৰন্থখনত প্ৰকাশৰ বাবে সংস্কৃতিৰ পূজাৰীগৰাকীৰ সান্নিধ্য লাভ কৰা অনুৰাগীৰ পৰা লেখা আহ্বান কৰা হৈছে। নৰেশ্বৰ মাহত প্ৰকাশ পাবলগীয়া গ্ৰন্থখনৰ লিখনিসমূহ চৈয়দ মোস্তাফা আহমেদ, সম্পাদক, উমানাথ ভৱন, কোঠোৰা, ডাকঘৰ-জামতোলা, ডাক সূচাংক-৭৮১৩৬৫ত প্ৰেৰণ কৰিব পাৰিব।

# মৰিগাঁও যোগান বিভাগৰ সহকাৰী সঞ্চালক মতিনুৰৰ সংবাদমেলক লৈ চাঞ্চল্য

**ই-সংবাদ, মৰিগাঁও, ১৬ অক্টোবৰ:** লাহৰীঘাটৰ বিধায়ক আচিফ নাজাৰ, মৰিগাঁও জিলা আয়ুক্ত দেৱাশিষ শৰ্মাক সাঙুৰি আজি মৰিগাঁও যোগান বিভাগৰ সহকাৰী সঞ্চালক মতিনুৰ ৰহমানে মৰিগাঁৱত এখন বিস্ফোৰক সংবাদমেল অনুষ্ঠিত কৰাত চৌদিশে ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। মতিনুৰ ৰহমানে সংবাদমেল যোগে লাহৰীঘাটৰ বিধায়ক আছিফ নাৰ্জাৰ আৰু তেঁওৰ ঘনিষ্ঠ সহযোগীৰ বিৰুদ্ধে প্ৰাণনাশৰ ভাবুকি দিয়াৰ অভিযোগ আনে। লাহৰীঘাট সমষ্টিৰ ৫ খনকৈ দুৰ্নীতিৰ অভিযোগ থকা সমবায় সমিতিক নিলম্বন কৰিছিল। তাৰ পিছতে লাহৰীঘাটৰ বিধায়কগৰাকীয়ে ফোনযোগে তেঁওক ভাবুকি প্ৰদান কৰে। আনহাতে ঠিকা ভিত্তিক কম্পিউটাৰ অপাৰেটৰ হিচাপে কাম কৰা নৰাজুৰ ৰহমানে ৰেচন কাৰ্ড প্ৰদানৰ নামত বৃহৎ পৰিমাণৰ উৎকোচ সংগ্ৰহ কৰাৰ বিস্ফোৰক অভিযোগ উত্থাপন হোৱা অডিঅ' ভাইৰেল হৈছিল। এই সন্দৰ্ভত মৰিগাঁও সদৰ আৰক্ষী থানাত গোচৰ তৰিছিল মতিনুৰ ৰহমানে। কিছুদিন পূৰ্বে তেঁওৰ ওপৰত হোৱা এক আক্ৰমণৰ ঘটনাত বিধায়ক নাজাৰ জড়িত থকাৰ অভিযোগ আনে। যি কোনো মুহূৰ্তত মই গ্ৰেপ্তাৰ হ'ব পাৰো। মোৰ বিৰুদ্ধে অভিসন্ধি ৰচনা হৈছে। ভাল কাম কৰাৰ বাবেই এই অভিসন্ধি ৰচনা হৈছে বুলি কয় মতিনুৰে। মৰিগাঁও যোগান বিভাগে ধনৰ বিনিময়ত অবৈধ ৰেচন কাৰ্ড বনাই দিয়া বুলি বিধায়ক আচিফ নাজাৰে বিধানসভাত অভিযোগ উত্থাপন কৰিছিল। মতিনুৰক উৰ্ধতন মহলে মাৰ্ঘেৰিটালৈ বদলিৰ নিৰ্দে দিয়ে। আশ্চৰ্যজনকভাৱে এই সংক্ৰান্তত জিলা আয়ুক্ত দেৱাশিষ শৰ্মাই তেঁওক দিয়া ৰিলিজ লেটাৰখন অসম্পূৰ্ণ আখ্যা দিয়ে মতিনুৰে। যোগান বিষয়াজনৰ আজিৰ এই সংবাদমেলখনৰ পিছতেই মৰিগাঁও জিলাৰ চৌদিশে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা দেখা গৈছে।

## বটেৰহাটত ড্ৰাগছসহ সৰবৰাহকাৰী আটক

**ই-সংবাদ, গোলকগঞ্জ, ১৬ অক্টোবৰঃ** ধুবুৰী জিলাৰ ছাগলীয়া আৰক্ষী চকীৰ অন্তৰ্গত বটেৰহাটত চলোৱা এক অভিযানত ড্ৰাগছসহ এজন সৰবৰাহকাৰী আটক হোৱাত অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, গোপন খবৰৰ ভিত্তিত ছাগলীয়া আৰক্ষীয়ে বটেৰহাট বজাৰত অতৰ্কিতে অভিযান চলায়। আৰক্ষীয়ে সন্দেহজনকভাৱে তহল দিয়া এএছ-১৭-এম-৫৪১৩ নম্বৰৰ বাইকসহ এজন সৰবৰাহকাৰীক আটক কৰে। বাইকখনত তালাচী চলোৱাত দুটা কন্টেইনাৰসহ ৭৫.২৭ গ্ৰাম ওজনৰ নিষিদ্ধ ব্ৰাউন ছুগাৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয় আৰক্ষী। আটকাধীন যুৱকজন লোহাজানী গাঁৱৰ ছাইদুল ইছলাম (২৫)। ছাইদুলে দীৰ্ঘদিনৰ পৰা ড্ৰাগছৰ অবৈধ ব্যৱসায়ত জড়িত হৈ আছে। অঞ্চলটোত আৰক্ষীৰ অবিৰত ড্ৰাগছ বিৰোধী অভিযান চলি থকা সত্বেও অব্যাহত আছে ড্ৰাগছৰ ব্যৱসায়।

## ৰঙিয়াৰ বিছেন্নালাত লক্ষ্মী পূজা



**ই-সংবাদ, ৰঙিয়া, ১৬ অক্টোবৰঃ** ৰঙিয়াৰ বিছেন্নালাত ধনৰ অধিষ্ঠাত্ৰী লক্ষ্মী দেৱীৰ পূজা পালন কৰা হয়। সোণপুৰ চুবুৰীত অনুষ্ঠিত পূজা প্ৰাইজমানী দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অভিনেতা পঙ্কজ পল্লৱ শৰ্মাই। উদ্বোধক পঙ্কজ পল্লৱ শৰ্মাই শংকৰী সংগীতৰ অনবদ্য অৱদান দিহানামে সাম্প্ৰতিক সময়ত গ্ৰাম্যাঞ্চলৰ মহিলাক অন্য মাত্ৰা প্ৰদান কৰিছে বুলি মত পোষণ কৰে। দিহানাম প্ৰতিযোগিতাত কামৰূপ আৰু নলবাৰী জিলাৰ কেবাটাও দিহানাম দলে অংশগ্ৰহণ কৰে। শিক্ষক ভুমিধৰ কুমাৰে আঁতধৰা অনুষ্ঠানত থানেশ্বৰ তালুকদাৰ, চম্পক দাস, বাণী পাঠক, ধনেশ্বৰ কুমাৰ, বীৰেণ কুমাৰৰ লগতে ভালেসংখ্যক গুণী-জ্ঞানী ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ২৩তম বাৰ্ষিক শ্ৰী শ্ৰী লক্ষ্মী পূজা উপলক্ষ্যে পুৱা প্ৰাক্তন গাওঁবুঢ়া যোগেন্দ্ৰ কুমাৰে ধৰ্মীয় পতাকা উত্তোলন কৰাৰ লগতে অঞ্চলটোৰ কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে গছপুলি ৰোপণ কৰে।

## হালাকুৰাত ১০ দিনৰ মূৰকত ধৰ্ষণকাৰীক গ্ৰেপ্তাৰ

**ই-সংবাদ, গোলকগঞ্জ, ১৬ অক্টোবৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ আৰক্ষী থানাৰ অন্তৰ্গত সোনাখুলিত এগৰাকী বোৱাৰীক গোপন স্থানত বন্দী কৰি গণ ধৰ্ষণ কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে অভিযুক্তক গ্ৰেপ্তাৰ নকৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টিৰ সময়তে ১০ দিনৰ মূৰকত এজন অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। সোনাখুলি প্ৰথমখণ্ড গাঁৱৰ আতিকুৰ ৰহমানক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে গোলকগঞ্জ আৰক্ষী থানাৰ অন্তৰ্গত হালাকুৰা আৰক্ষীয়ে। অভিযোগ মতে, ১০ দিন পূৰ্বে স্থানীয় ৮জন যুৱকে চলাহী কথাৰে সোনাখুলিৰ এগৰাকী বোৱাৰীক গোপন স্থানলৈ নিয়ে। গোপন স্থানলৈ নি বোৱাৰীক উপৰ্যুপৰি গণধৰ্ষণ কৰে। ঘটনা সংঘটিত কৰি অভিযুক্ত কেইজন পলায়ন কৰে। এই সন্দৰ্ভত মহিলাগৰাকীয়ে হালাকুৰা আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। দুৰ্গা পূজাৰ আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণৰ দোহাই দি আৰক্ষীয়ে তদন্ত লেহেমীয়া কৰাৰ অভিযোগ আনিছিল ৰাইজে। অৱশেষত ৰাইজৰ দাবীত মঙলবাৰে নিশা হালাকুৰা আৰক্ষীয়ে হালাকুৰা বজাৰৰ পৰা সোনাখুলি প্ৰথমখণ্ড গাঁৱৰ আতিকুৰ ৰহমানক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে আতিকুৰক আদালতত হাজিৰ কৰে। ঘটনা সংঘটিত হোৱাৰ ইমান দিন পিছলৈ মুক্ত আকাশৰ তলত অভিযুক্তই ঘুৰি ফুৰা কৰিছিল যদিও আৰক্ষীয়ে গ্ৰেপ্তাৰ নকৰাত অঞ্চলটোত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। বহু প্ৰতিক্ৰিয়াৰ অন্তত অৱশেষত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

# লক্ষ্মী পূজাত উকা পথাৰত চাকি জ্বলালে মাজুলীৰ আউনীআটি অঞ্চলবাসীয়ে



**ই-সংবাদ, মাজূলী, ১৬অক্টোবৰঃ** আজি ধনৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী পূজা ।লক্ষ্মীক আদৰিবলৈ ৰাজ্যৰ চৌদিশে পূজা অৰ্চনা চলিছে। সমান্তৰালকৈ মাজুলীটো ব্যাপক ভাবে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে ৰাজহুৱাকৈ পূজা অৰ্চনা,নাম প্ৰসংগৰ লগতে ভাওনা অনুষ্ঠিত কৰাৰ লগতে গাঁও সমূহতো ঘৰে ঘৰে লক্ষ্মী পূজা অনুষ্ঠিত কৰে ।মাজুলীৰ আউনীআটী অঞ্চলৰ প্ৰায় পাঁচ,ছয় খনকৈ গাঁৱত উকা পথাৰত চাকি জ্বলালে সহস্ৰাধিক গঞাই ।নাই কোনো উল্লাস উদ্দীপনা ।কৃষিজীবি গঞাই উকা পথাৰ খনলৈ চাই মনৰ দুখত হুমুনিয়াহ কাঢ়িছে ।কিয়নো ১জুলাইত ব্ৰহ্মপুত্ৰৰ প্ৰবল বানে জুগুনীধাৰী-গুৱালগাঁও সংযোগী মথাউৰিতো প্ৰায় ৬০ মিটাৰ  ছিঙি পেলোৱাৰ পাছতেই ছিঙা অংশয়েদি সোমাই অহা প্ৰবল পানীৰ সোঁতে হাহাকাৰ সৃষ্টি কৰে আউনীআটী সত্ৰৰ অঞ্চলবাসীৰ লগতে বৃহত্তৰ নামনি মাজুলীবাসীক। সোমাই অহা পানী ধাৰে অঞ্চলটোৰ কৃষকৰ বাওঁ ধানৰ কৃষি সমূহ মাৰি পেলাই। বাওঁ ধানৰ কৃষিকে মূল কৃষি হিচাপে ধৰি বছৰটোৰ বাবে এই কৃষিকেই মূল কৃষি হিচাপে অঞ্চলবাসী কৰি আহিছে ।এতিয়া এই কৃষি পানীয়ে মাৰি পেলোৱাত কৃষিজীবি ৰাইজে মূৰে কপালে হাত দিছে ।আনহাতে ছিঙা অংশয়ে সোমাই অহা পানী ভাগে প্লাবিত কৰা লাহলিয়াল,বৰটানী,গাঁও সমূহৰ কৃষি পথাৰত ভেৰেকীবিলৰ মেটেকা পৰি প্ৰায় ১৫০ বিঘা কৃষি ভূমি বাওঁ ধান সমূহ মাৰি পেলোৱাৰ লগতে পথাৰ সমূহ পুতি পেলাই ।চৰকাৰী ৰাজহ বিল ভেৰেকী বিলৰ মেটেকা নিষ্কাশনৰ বাবে অঞ্চলবাসীয়ে দাবী জনায় অহাৰ পাছতো কৰ্তৃপক্ষই কোনো গুৰুত্ব নিদিয়াত মেটেকেই অঞ্চলবাসীক অনিষ্ট কৰি আহিছে ।এই কৃষি পানীয়ে মাৰি পেলোৱাত আজি লক্ষ্মী পূজাত পথাৰত সেৱা জনাবলৈ নাই কোনো কৃষি ।বহু পৰিয়ালেই উকা পথাৰতেই চাকি জ্বলাব লগা হ'ল ।কৃষকৰ দুখ শুনিবলৈ কোনো নাই কৃষকে মূৰে কপালে হাত দিয়াৰ বাহিৰে একোৱেই নাই। আনহাতে কালিলৈ কাতি বিহুটো উকা পথাৰতেই চকী জ্বলাবা লাগিব কৃষকে।

# গোপাল কৃষ্ণ গৰখীয়া থানত কাতি বিহুৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ১৬ অক্টোবৰঃ** নগাঁও জিলাৰ বটদ্ৰৱাৰ সমীপৰ ঐতিহাসিক শিঙিয়া দলনি সাৰ্বজনীন শ্ৰী শ্ৰী গোপাল কৃষ্ণ গৰখীয়া থানত কাতি বিহু পালনৰ লগতে শ্ৰীমদ্ভাগৱত পাঠ শ্ৰৱণ কীৰ্ত্তনৰ আয়োজন কৰা হৈছে। তদনুযায়ী বিপুল চন্দ্ৰ নাথক সভাপতি, দুলাল বৰাক উপ সভাপতি, পুস্পেন্দ্ৰ নাথক সম্পাদক আৰু বাবুলাল নাথক সহকাৰী সম্পাদক হিচাপে লৈ গঠিত উদযাপন সমিতিয়ে প্ৰয়োজনীয় প্ৰস্তুতি প্ৰায় সম্পন্ন কৰি তুলিছে। কাৰ্যসূচী অনুসৰি, ১৭ অক্টোবৰত পুৱা পতাকা উত্তোলন, দুপৰীয়া নাম-প্ৰসংগ আৰু বিয়লি অঞ্চলৰসমূহ ৰাইজৰ উপস্থিতিত পৰম্পৰাগত টেঙা খোৱা পৰ্ব ৰূপায়ণ কৰা হ'ব। সন্ধিয়া নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ উপস্থিতিত কাতি বিহুৰ অন্যতম পৰম্পৰা আকাশ বন্তি প্ৰজ্বলন কৰা হ'ব। ঠিক সেইদৰে ১৮ অক্টোবৰৰ পুৱা গায়ন-বায়নৰ মংগল ধ্বনি আৰু আইসকলৰ উৰুলিৰ মাজৰে ভাগৱত প্ৰতিষ্ঠা কৰাৰ পিছতে ধৰ্মধ্বজা উত্তোলন, খোল প্ৰসংগ আৰু নাম-কীৰ্তন পৰিৱেশনৰ অন্তত ভাগৱত পাঠৰ আৰম্ভণি কৰা হ'ব। ২০ অক্টোবৰত উক্ত ভাগৱত পাঠৰ সামৰণি দিনা নিমন্ত্ৰিত নামটি দলৰ দ্বাৰা দিহানাম পৰিৱেশন কৰা হ'ব। সকলো কাৰ্যসূচীত ভক্তপ্ৰাণ ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে।

## ওৰে জীৱন বিনা বেতনে সেৱা

# চকুলো টুকি চাকৰিৰ পৰা বিদায় জীৱন গগৈৰ



**ই-সংবাদ, ডুমডুমা, ১৬ অক্টোবৰ:** ১৯৮৬ চনত প্ৰতিষ্ঠা লাভ কৰা অসম-অৰুণাচল সীমান্তৱৰ্তী তালপথাৰ জ্ঞানপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ে বিভিন্ন ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে যদিও আজি পৰ্যন্ত চৰকাৰৰ পৰা উচিত মৰ্য্যাদা লাভ নকৰিলে। বিদ্যালয়খনৰ অতি দৰিদ্ৰ পৰিয়ালৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী জীৱন গগৈয়ে ওৰেতো জীৱন বিদ্যালয়খনত সেৱা আগবঢ়াই অবশেষত বিনা বেতনেৰে অশ্ৰুসিক্ত নয়নেৰে কৰ্ম জীৱনৰ পৰা বিদায় মাগিলে। অতি হৃদয়বিদাৰক অনুষ্ঠানত উপস্থিত থকা অনেকজনে সভাৰ মাজতে উচুপি উঠে। কাৰণ তেওঁক দিবলৈ তেওঁলোকৰ হাতত শ্ৰদ্ধাৰ বাহিৰে আন একো নাই। যোৱা ১৪ আৰু ১৫ অক্টোবৰত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে বিদ্যালয়খনৰ উদ্যোগত বিদ্যালয়খনত অনুষ্ঠিত হয় জীৱন গগৈৰ আনুষ্ঠানিক বিদায় সম্বৰ্ধনা আৰু বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ। অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত মুকলি সভা অনুষ্ঠিত হয়। জিত বড়া মহং মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুমন মৰাণৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণী ভাষণ আগবঢ়ায় বিদ্যালয়খনৰ প্ৰধান শিক্ষক জয়কান্ত শইকীয়াই। ২০২১ চনত মাধ্যমিক বিদ্যালয় প্ৰাদেশীকৃত আইন-২০১৭ , সংশোধনী-২০১৮ আইনৰ আধাৰত নিযুক্তি পোৱা টিউটৰ (শিক্ষক) ৰ্কমচাৰী আৰু অনাশিক্ষক কৰ্মচাৰীসকলৰ মাহিলী নিম্নতম মজুৰি বাতিল কৰি বিদ্যালয় প্ৰাদেশীকৃত আইন-২০১১ আৰু সংশোধনী আইন-২০১২ আধাৰত ২০১৩ চনত প্ৰাদেশিকীকৰণ হোৱা শিক্ষকসকলক সমপৰ্যায়ৰ দৰমহা দাবী শিক্ষক সমাজে কৰি অহাৰ সমান্তৰালকৈ তেওঁলোকক পূৰ্ণ দৰমহা প্ৰদান কৰা আৰু সম্পূৰ্ণ অৰ্হতা থকাৰ পিছতো ৫০% তকৈ কম নম্বৰ থকা শিক্ষকক কম দৰমহা প্ৰদান কৰাৰ বৈষম্যমূলক নীতি পৰিহাৰ কৰিবলৈ সভাৰ যোগেদি চৰকাৰক দাবী তোলে।

# দিছপুৰ পাই সমষ্টিবাসীলৈ পিঠি! আশ্ৰাফুলৰ সমষ্টিত সাঙীয়েই এম্বুলেন্স



**ই-সংবাদ বিশেষ, ১৬ অক্টোবৰঃ** নিৰ্বাচনৰ পূৰ্বে হাজাৰটা প্ৰলোভন দি দুখীয়া, দৰিদ্ৰ মিঞাৰ ভোট আদায় কৰি দিছপুৰ পোৱা আশ্ৰাফুল হুছেইনে সমষ্টিবাসীক পাহৰি যোৱাৰ অভিযোগ উত্থাপন হৈছে। একালৰ মিঞা কবি, উদাৰবাদী বুলি জহোৱা আশ্ৰাফুল হুছেইনে ২০২১ চনৰ নিৰ্বাচনৰ পূৰ্বে সাম্প্ৰদায়িক বদৰুদ্দিন আজমলৰ দলত যোগদান কৰিছিল। অসমৰ সংখ্যালঘুৰ দৰদী বুলি জহাই ফুৰা আশ্ৰাফুল হুছেইনে ৩৬০ ডিগ্ৰী ইউটাৰ্ণ মাৰি আজমলৰ দলত যোগদান কৰাই নহয় ২০২১ চনত নামনি অসমৰ বৰপেটা জিলাৰ চেঙা সমষ্টিত নিৰ্বাচনত অৱতীৰ্ণ হয়। নিৰ্বাচনত জয়ী হৈ দিছপুৰ পালে আশ্ৰাফুল হুছেইন। আশ্ৰাফুল বিধায়ক হোৱাৰ তিনিটা বছৰ পাৰ হ'ল। এতিয়া আশ্ৰাফুলক ভোট দিয়া ভোটাৰে হাহাকাৰ কৰি সময় পাৰ কৰিবলগীয়া হৈছে। আনকি, হিতাধিকাৰীৰ নিৰ্বাচনৰ নামতো চেঙা সমষ্টিত বজাৰ বহা বুলি অভিযোগ উত্থাপন হৈ আহিছে। হিতাধিকাৰী নিৰ্বাচনত ব্যাপক বৈষম্য কৰি অহাৰ লগতে দলীয় নেতা তথা সাংগো-পাংগোসকলকহে হিতাধিকাৰী কৰা হয় বুলি অভিযোগ উঠিছে। সকলোতকৈ ডাঙৰ কথা এয়াই যে বিগত তিনিটা বছৰত চেঙা সমষ্টিত কেৱল দলৰ সভা-সমিতি, দলৰ নেতা-কৰ্মীৰ ঘৰত বিয়া-সকাম থাকিলেহে পৰিভ্ৰমী চৰাইৰ দৰে কেতিয়াবা কেতিয়াবা সমষ্টি ভ্ৰমণ কৰে হুছেইনে। ৰজাৰ দৰে সমষ্টি ভ্ৰমণ কৰি সাধাৰণ লোকৰ সৈতে মত-বিনিময় কৰিবলৈ পাহৰি গৈছে। সাধাৰণ লোকৰ পৰিৱৰ্তে দলৰ কেইজনমান দালালক সমষ্টি চমজাই দি দিছপুৰৰ শীত-তাপ নিয়ন্ত্ৰিত কোঠাত সময় পাৰ কৰা আশ্ৰাফুল হুছেইনে চেঙা সমষ্টিৰ লোকক সমূলি পিঠি দিছে। একালত চাইকেল কিনিবলৈ টকা নথকা সেই আশ্ৰাফুলে শীত-তাপ নিয়ন্ত্ৰিত গাড়ী নহ'লে ঘৰৰ পৰাই নোলায়। শীত-তাপ নিয়ন্ত্ৰিত কোঠা নহ'লে নিশা কটাব নোৱাৰে। আশ্ৰাফুলে দিছপুৰৰ চৰকাৰী আবাসৰ লগতে গুৱাহাটীৰ তিনি ঠাইত মাটি ক্ৰয় কৰি ঘৰ নিৰ্মাণ কৰি থকাৰো অভিযোগো উঠিছে। আশ্ৰাফুলে ৰাষ্ট্ৰপতি নিৰ্বাচন, ৰাজ্যসভাৰ নিৰ্বাচনত ভোট বিক্ৰী কৰাৰ অভিযোগে আছে। মাথো চাৰিটা বছৰ পূৰ্বে মিঞা জনগোষ্ঠীৰ দুখীয়াৰ কথা কোৱা বিধায়ক হুছেইনে তিনিবছৰ বিধায়ক হৈয়ে চেঙা সমষ্টিবাসীক পাহৰি গ'ল। যাৰ ফলত চেঙা সমষ্টিত আজি অৰাজকতাই বিৰাজ কৰিছে। চৌদিশে জৰাজীৰ্ণ অৱস্থা। আনহে নালাগে ৰাস্তা-ঘাটৰ পয়ালগা অৱস্থাই যমৰ-যাতনা ভুগিছে। বান-খহনীয়াই ভয়াৱহ ৰূপ লৈছে যদিও ৰাইজৰ জীৱন-সম্পত্তি ৰক্ষাৰ বাবে কোনো ব্যৱস্থা নোলোৱাৰ অভিযোগ উঠিছে। তাৰ মাজতে এক দৃশ্যই আশ্ৰাফুলে বিধায়ক হৈ কাম যে কৰা নাই সেই কথা স্পষ্ট কৰি তুলিছে। দেওবাৰৰ হৃদয় বিদাৰক দৃশ্য পোহৰলৈ অহাৰ পাছতে চেঙা সমষ্টিৰ এআইইউডিএফৰ বিধায়ক আশ্ৰাফুলক নিষ্কৰ্মা, অকৰ্মণ্য বুলি মানুহে সমালোচনা কৰিবলৈ আৰম্ভ কৰিছে। বৰপেটা জিলাৰ দক্ষিণ প্ৰান্তৰ চেঙা সমষ্টিত মানুহে আদিম যুগৰ দৰেই জীয়াই থাকবলগীয়া হৈছে। চেঙা সমষ্টিৰ কেবাটাও এলেকাৰ লোকে আজিও আদিম যুগৰ মানুহৰ দৰেই থাকিবলৈ বাধ্য হৈছে। জানিব পৰা মতে, সমষ্টিৰ নিচানৰ চৰ গাঁৱৰ এগৰাকী প্ৰসূতিৰ প্ৰসৱ বেদনা আৰম্ভ হয়। পৰিয়ালে এম্বুলেন্স যোগাৰ কৰিব নোৱাৰিলে। ফলত প্ৰায় ৭ কিলোমিটাৰ এলেকা সাঙীত তুলি প্ৰসূতিগৰাকীক হাস্পতাললৈ নিবলগীয়া হয়। চাৰিজন মানুহে কান্ধেৰে সাঙীত কঢ়িয়াই গৰ্ভৱতী মহিলাগৰাকীক প্ৰায় ৭ কিলোমিটাৰ নিলগৰ নগৰবেৰা ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত প্ৰসূতিক ভৰ্তি কৰিবলৈ সক্ষম হয়। স্থানীয় ৰাইজে জনোৱামতে, বানত নিচানৰ চৰ সংযোগী পথৰ চিন-চাব নোহোৱা হৈ পৰিছে। বিগত প্ৰায় দুটা বছৰ ধৰি পথটো মেৰামতি কৰা হোৱা নাই। ফলত সৰু-বৰ গাড়ীৰ লগতে এম্বুলেন্স যাব নোৱাৰে। দুটাকৈ নৈৰ ঘাত অতিক্ৰমি বহিঃজগতৰ সৈতে সংযোগ কৰিবলগীয়া হোৱা নিচানৰ চৰবাসীয়ে বিধায়ক আশ্ৰাফুলক দলং আৰু পথ নিৰ্মাণ কৰি দিবলৈ দাবী জনাই আহিছে যদিও বিধায়গৰাকীয়ে গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উঠিছে। প্ৰসৱ বেদনাত ছটফটাই থকা মহিলাক সাঙীত তুলি হাস্পতাললৈ নিবলগীয়া হোৱা কথাটোৱে বিধায়ক আশ্ৰাফুল হুছেইনৰ কাম-কাজৰ স্বৰূপ উদঙাই দিছে বুলি চৌদিশে চৰ্চা চলিছে।

## প্ৰাক্তন বিধায়ক আলী আকবৰ মিঞাক বিশেষ সম্বৰ্ধনা

**ই-সংবাদ, বিলাসীপাৰা, ১৬ অক্টোবৰঃ** বিলাসীপাৰা পশ্চিম সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বলিষ্ঠ প্ৰভাৱশালী নেতা আলী আকবৰ মিঞাক আজি সম্বৰ্ধনা জনোৱা হয়। বিলাসীপাৰা চহৰৰ সূৰ্যখাতাস্থিত অগ্ৰণী ফাৰ্মাচী তথা চিকিৎসা প্ৰতিষ্ঠান সৰকাৰ মেডিকেল গ্ৰুপৰ তৰফৰ পৰা প্ৰাক্তন বিধায়কগৰাকীক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনাত সৰকাৰ মেডিকেল গ্ৰুপৰ হৈ মকিবুৰ সৰকাৰৰ লগতে অইন বিষয়ববীয়া উপস্থিত থাকে। বলিষ্ঠ পদক্ষেপেৰে জাতিৰ হকে মাত মাতি অহাৰ লগতে সমাজখনক ধৰি ৰখাৰ স্বাৰ্থত সদায় চিন্তা কৰি অহা বাবে প্ৰাক্তন বিধায়কগৰাকীক সম্বৰ্ধনা জনোৱা হয়। অনাগত সময়ত যাতে ন্যায়ৰ হকে মাত মাতি যাব পাৰে তাৰ বাবে তেওঁৰ দীৰ্ঘায়ু কামনা কৰিছে ৰাইজে।

# ওদালগুৰিত দুৰ্গোৎসৱৰ সময়ছোৱালৈ ৮ শতাধিকে পাইছে মৃত্যুঞ্জয় ১০৮ এম্বুলেন্স সেৱা

**ই-সংবাদ, ওদালগুৰি, ১৬ অক্টোবৰঃ** ওদালগুৰি জিলাৰ ভিন্ন প্ৰান্তত চলিত বৰ্ষৰ দুৰ্গোৎসৱৰ সময়ছোৱাত প্ৰায় ৩০ জনকৈ অধিক লোক দুৰ্ঘটনাত পতিত হোৱাৰ সমান্তৰালকৈ চলিত বৰ্ষত বাতৰি যুগুত কৰা সময়লৈ একাধিক পথ দুৰ্ঘটনাৰ উদ্বেগজনক তথ্য পোহৰলৈ আহিছে। চলিত বৰ্ষৰ ১৪ অক্টোবৰলৈ ৮৬১ জন পথ দুৰ্ঘটনাত পতিত লোকক মৃত্যুঞ্জয় ১০৮ সেৱা প্ৰদান কৰা হৈছে। এয়া কেৱল মৃত্যুঞ্জয় ১০৮ এম্বুলেন্স সেৱা ব্যৱহাৰ কৰা তথ্যহে। ইয়াৰ উপৰিও এই ১০৮ সেৱা ব্যৱহাৰ নকৰা দুৰ্ঘটনাৰ সংখ্যা অধিক হোৱাৰ সম্ভাৱনা আছে। চলিত বৰ্ষৰ জানুৱাৰীত মাহত ১০১ গৰাকী, ফেব্ৰুৱাৰীত ১২০, মাৰ্চত ১১৭, এপ্ৰিলত ১০২, মে'ত ৯৯, জুনত ৭৬, জুলাইত ৬৬, আগষ্টত ৭৩, ছেপ্টেম্বৰত ৯০ আৰু অক্টোবৰ মাহৰ ১৪ তাৰিখলৈ ৩১ গৰাকী দুৰ্ঘটনাগ্ৰস্ত লোকক মৃত্যুঞ্জয় ১০৮ বিনামূলীয়া সেৱাৰে দুৰ্ঘটনাস্থলীৰ পৰা ওচৰৰ চিকিৎসালয়লৈ উন্নত চিকিৎসাৰ বাবে গুৱাহাটী কিম্বা তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ মৃত্যুঞ্জয় ১০৮ সেৱাৰে প্ৰেৰণ কৰা হৈছে। অধিকাংশ দুৰ্ঘটনাৰ কাৰণ হৈছে অত্যধিক সুৰাপান, অনভিজ্ঞ চালক, নিয়ন্ত্ৰণহীন গতিবেগ, যান বাহন আইন উলংঘন। তথ্য অনুযায়ী ইংৰাজী নৱবৰ্ষৰ লগতে শাৰদীয় উৎসৱৰ সময়ত দুৰ্ঘটনাৰ সংখ্যা বৃদ্ধি পায়। বহাগ বিহুৰ সময়তো তুলনামূলকভাৱে দুৰ্ঘটনা বৃদ্ধি পায়। জানিব পৰা মতে, চলিত বৰ্ষৰ অক্টোবৰ মাহৰ দুৰ্গোৎসৱৰ সময়ছোৱালৈ অৰ্থাৎ ১৪ তাৰিখলৈ ৩১ গৰাকী দুৰ্ঘটনাগ্ৰস্ত লোকক মৃত্যুঞ্জয় ১০৮ বিনামূলীয়া সেৱা প্ৰদান কৰা হৈছে। মৃত্যুঞ্জয় ১০৮ সেৱাৰ তথ্য অনুসৰি অক্টোবৰ মাহৰ দুৰ্গোৎসৱৰ আনন্দৰ মাজতে ৮ তাৰিখে ২ গৰাকী, ৯ তাৰিখে ১ গৰাকী, ১০ তাৰিখে ৩ গৰাকী, ১১ তাৰিখে ৬ গৰাকী ১২ তাৰিখে সৰ্বাধিক ৯ গৰাকী, ১৩ তাৰিখে ৭ গৰাকী আৰু পূজাৰ শেষত অৰ্থাৎ ১৪ তাৰিখেও ২ গৰাকী দুৰ্ঘটনাত পতিত লোকক মৃত্যুঞ্জয় ১০৮ সেৱা প্ৰদান কৰা হয়। এইক্ষেত্ৰত ইতিমধ্যে জিলা প্ৰশাসনে আৰক্ষী, পৰিবহন আৰু আবকাৰী বিভাগ আৰু মৃত্যুঞ্জয় ১০৮ সেৱা সংস্থাৰ সহযোগত দুৰ্ঘটনা ৰোধ কৰিবলৈ বিভিন্ন প্ৰান্তত ৰাইজৰ মাজত দুৰ্ঘটনা ৰোধৰ এলানি সজাগতাৰ কাৰ্যসূচী দুৰ্গোৎসৱৰ আগমুহূৰ্তত গ্ৰহণ কৰা পৰিলক্ষিত হোৱাৰ লগতে জিলাখনত প্ৰতিখন যানবাহনত সুৰাপায়ী তথা এচাম উদণ্ড চালকৰ বিৰুদ্ধে তালাচী অভিযানো অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে, মৃত্যুঞ্জয় ১০৮ বিনামূলীয়া এম্বুলেন্স সেৱা উপলব্ধ হোৱাত বহু দুৰ্ঘটনাগ্ৰস্তৰ প্ৰাণ সঠিক সময়ত চিকিৎসা লাভৰ বাবে ৰক্ষা পৰিছে। ৰাইজ সজাগ আৰু সতৰ্ক হলে দুৰ্ঘটনা আৰু হ্ৰাস পাব বুলি আশা কৰিছে মৃত্যুঞ্জয় ১০৮ সেৱাৰে জড়িতসকলে। এই ক্ষেত্ৰত বিভিন্ন পূজা সমিতি তথা ৰাইজে মৃত্যুঞ্জয় ১০৮ সেৱাৰ কৰ্মী, স্বাস্থ্য আৰু চিকিৎসা বিভাগ, আৰক্ষী, পৰিবহন বিভাগৰ কৰ্মীবৃন্দক পূজাৰ সময়ছোৱাত তেওঁলোকে আপোন পৰিয়াল ত্যাগ কৰি, পূজাৰ আনন্দ পৰিহাৰ কৰি ৰাইজৰ সেৱাত ব্ৰতী হোৱাত কৃতজ্ঞতা প্ৰকাশ কৰিছে।




# চিদলী সমষ্টিত ইউপিপিএল জয়ী হ'ব বুলি দাবী ৰাজু নাৰ্জাৰীৰ

**ই-সংবাদ, কোকৰাঝাৰ, ১৬ অক্টোবৰঃ** ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পিছতেই তৎপৰ হৈ পৰিছে ৰাজনৈতিক দলসমূহ। ইউপিপিএল-বিজেপি-অগপৰ মিত্ৰতাৰ সূত্ৰে চিদলী বিধানসভা সমষ্টিটো ইউপিপিএল দললৈ এৰি দিয়াত উপ নিৰ্বাচনক লৈ পূৰ্ণ প্ৰস্তুতি আৰম্ভ কৰিছে ইউপিপিএল দলে। ইউপিপিএলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰাজু নাৰ্জাৰীয়ে সদৰি কৰা মতে উপ-নিৰ্বাচনক লৈ সম্পূৰ্ণৰূপে সাজু হৈছে ইউপিপিএল দল। মিত্ৰতা অনুসৰি চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত ইউপিপিএলে প্ৰাৰ্থী প্ৰক্ষেপ কৰিব আৰু বঙাইগাঁও সমষ্টিত অগপ আৰু আন তিনিটা সমষ্টিত বিজেপি দলৰ প্ৰাৰ্থী থাকিব। ইতিমধ্যে চিদলী বিধানসভা সমষ্টিত প্ৰাৰ্থীৰ পাঁচজনীয়া পেনেল লিষ্ট তৈয়াৰ কৰা হৈছে আৰু নিৰ্বাচনী সমিতিয়ে তাৰ পৰা এগৰাকী প্ৰাৰ্থীক চূড়ান্ত কৰিব। চিদলী বিধানসভা সমষ্টিত ইউপিপিএল দলে বহু ভোটৰ ব্যৱধানত জয়ী হ'ব বুলি দাবী কৰিছে ইউপিপিএলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰাজু নাৰ্জাৰীয়ে। আনহাতে মিত্ৰতা সন্দৰ্ভত সাংবাদিকে সোধা এক প্ৰশ্নোত্তোৰত ৰাজু নাৰ্জাৰীয়ে কয় যে বিজেপি-ইউপিপিএল দলৰ মিত্ৰতা বিটিচিত ২০২৫ চনলৈ, ৰাজ্যত ২০২৬ চনলৈ আৰু কেন্দ্ৰত ২০২৯ চনলৈ অব্যাহত থাকিব। তদুপৰি বিপিএফ আৰু ইউপিপিএলৰ মাজত মিত্ৰতা সন্দৰ্ভত আলোচনা অব্যাহত আছে আৰু অচিৰেই ভাল খবৰ আহিব বুলি আশাবাদী বুলি মন্তব্য প্ৰকাশ কৰিছে ইউপিপিএলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰাজু নাৰ্জাৰীয়ে। এনেদৰে এতিয়া গৰম হৈ পৰিছে সমষ্টিটোৰ নিৰ্বাচনী বতাহ।

# বশিষ্ঠত স্কুটী চুৰি হেৰ'ইনসহ হেঙেৰাবাৰীত ৩জন ধৃত

**ই-সংবাদ, ১৬ অক্টোবৰঃ** দুৰ্গা পূজা, লক্ষ্মী পূজাৰ মাজতে গুৱাহাটীত চোৰৰ গেঙৰ বিৰুদ্ধে অভিযান চলাই বৃহৎ সফলতা লাভ কৰিছে অসম আৰক্ষীৰ স্পেচিয়েল টাস্ক ফৰ্চে। মহানগৰীৰ হেঙেৰাবাৰীৰ নামঘৰ পথৰ ফৰেষ্ট গেটত অভিযান চলাই চোৰৰ দলক জালত পেলাবলৈ সক্ষম হয় স্পেচিয়েল টাস্ক ফৰ্চ। অভিযানৰ সময়ত এটা ঘৰৰ পৰা হেৰ'ইনসহ ভাৰ্গৱ চৌধুৰী, সঞ্জীৱ ৰয় আৰু নিতাই সৰকাৰ নামৰ তিনি ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ভাৰ্গৱ আৰু নিতাইৰ পৰা ৪৯.৫ গ্ৰাম হেৰ'ইন, এটা মোবাইল, ১৫ হাজাৰ টকা উদ্ধাৰ হয়। সঞ্জীৱৰ পৰা ৫৬.২৬ গ্ৰাম হেৰ'ইন, ৯৯০০ টকা আৰু ২টা মোবাইল উদ্ধাৰ হয়। এই সামগ্ৰীসমূহ জব্দ কৰি ঘটনাৰ তদন্ত কৰি গৈছে এছটিএফে। ইফালে, মহানগৰীৰ বশিষ্ঠ অঞ্চলত মঙলবাৰে নিশা সংঘটিত হয় চাঞ্চল্যকৰ চুৰি কাণ্ড। অঞ্চলটোত মহিলাৰ পোছাক পৰিধান কৰি এটা চোৰে এখন স্কুটি চুৰি কৰে। নিশা প্ৰায় ৩.১৫ বজাত সংঘটিত এই চুৰি কাণ্ডৰ সমগ্ৰ দৃশ্য চিচিটিভি কেমেৰাত বন্দী হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অভিযান আৰম্ভ কৰিছে।

# শেষ পৃষ্ঠা

## আন্তঃৰাষ্ট্ৰীয় হেট্ৰিক

# মেছিয়ে স্পৰ্শ কৰিলে ৰ'নাল্ডোৰ বিশেষ ৰেকৰ্ড

**বুয়েনছ আয়াৰ্ছ, ১৬ অক্টোবৰঃ** আৰ্জেণ্টিনাৰ তাৰকা ফুটবলাৰ লিঅ'নেল মেছিয়ে পৰ্তুগালৰ মহান আৰু চিৰ প্ৰতিদ্বন্দ্বী ক্ৰিষ্টিয়ানো ৰ'নাল্ডোৰ ১০ টা আন্তঃৰাষ্ট্ৰীয় হেট্ৰিকৰ অভিলেখৰ সৈতে সমতা স্থাপন কৰিছে। এই গুৰুত্বপূৰ্ণ সাফল্য অৰ্জন কৰা দ্বিতীয়গৰাকী খেলুৱৈ হিচাপে পৰিগণিত হৈছে মেছি। বুধবাৰে আৰ্জেণ্টিনা আৰু বলিভিয়াৰ মাজত অনুষ্ঠিত হোৱা ২০২৬ চনৰ বিশ্বকাপৰ বাবে দক্ষিণ আমেৰিকাৰ যোগ্যতা অৰ্জনৰ সময়ত মেছিয়ে এই ঐতিহাসিক কৃতিত্ব লাভ কৰে। খেলখনৰ সময়ত মেছিয়ে তেওঁৰ দক্ষতা আৰু দৃঢ়তা প্ৰদৰ্শন কৰি গ'ল প্ৰদানৰ অভিলেখ স্থাপন কৰে। তেওঁ দলটোৰ হৈ প্ৰদান কৰা দুটা গুৰুত্বপূৰ্ণ গ'লত বিশেষ ভূমিকা পালন কৰে, যাৰ ফলত আৰ্জেণ্টিনা কলম্বিয়াৰ বুয়েনছ আয়াৰ্ছৰ আইকনিক মনুমেণ্টেল ষ্টেডিয়ামত বলিভিয়াক ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিবলৈ সক্ষম হয়।



শতকৰ পিছত দৰ্শকৰ অভিবাদন গ্ৰহণ বেনৰ

# সন্তোষজনক স্থিতিত ইংলেণ্ড

**মূলতান, ১৬ অক্টোবৰঃ** স্পিনাৰ ছাজিদ খানে সংগ্ৰহ কৰা ৩টাকৈ উইকেটৰ পৰিপ্ৰেক্ষিতত মূলতানত চলি থকা দ্বিতীয় টেষ্টত ইংলেণ্ডৰ বিৰুদ্ধে কিছু সকাহ লাভ কৰিছে পাকিস্তানে। অৱশ্যে পাকিস্তানে প্ৰথম ইনিংছত সংগ্ৰহ কৰা ৩৬৬ ৰানৰ প্ৰত্যুত্তৰত আলহী দলটোৱে ৬ উইকেট হেৰুৱাই দিনান্তত ২৩৯ ৰান সংগ্ৰহ কৰিছে। দলটো এতিয়াও ১২৭ ৰানত পিছপৰি আছে যদিও হাতত ৪টাকৈ উইকেট অক্ষুন্ন ৰাখি সন্তোষজনক স্থানত আছে। ইংলেণ্ডৰ হৈ বেন ডাকেটে আজি ১২৭ ৰানৰ শতকীয় ইনিংছ উপহাৰ দি দলক সকাহ প্ৰদান কৰে। উল্লেখ্য যে প্ৰথম টেষ্টৰ প্ৰথম ইনিংছত ৫৬৬ ৰান কৰিও ইংলেণ্ডৰ হাতত পৰাস্ত হ'বলগীয়া হৈছিল ঘৰুৱা দলটো।



বৰ্ষাবিঘ্নিত বাংগালুৰুৰ প্ৰথম টেষ্টত এনেদৰে দেখা গৈছে বিৰাট কোহলি আৰু যশস্বী জয়ছৱালক

## কৰিব পৰা নগ'ল টছ, প্ৰথম দিনাৰ খেল পৰিত্যক্ত ঘোষণা

# ভাৰত-নিউজিলেণ্ডৰ প্ৰথম টেষ্টত বৰষুণৰ বিঘিনি

**বাংগালুৰু, ১৬ অক্টোবৰঃ** বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত ভাৰত আৰু নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত হোৱা প্ৰথমখন টেষ্টৰ প্ৰথম দিনটো বৰষুণৰ বাবে সম্পূৰ্ণৰূপে বিঘ্নিত হৈ পৰে। গোটেই দিনটো ধাৰাবাহিক বৰষুণৰ ফলত খেল আৰম্ভ কৰাটো একেবাৰে সম্ভৱ নহ'ল। আনকি টছ কৰাটোৱেই হৈ নুঠিল। ডিচিচন ৰিভিউ চিষ্টেম (ডি আৰ এছ)ৰ হক-আই ব্যৱস্থাটোও বৰষুণৰ বাবে কাৰ্যকৰী নহ'ল। প্ৰাক্তন ক্ৰিকেটাৰ পণ্ডিত ছাবা কৰিমে জনোৱামতে কভাৰবোৰ আঁতৰোৱাৰ পিছতেই হক-আইৰ ব্যৱস্থা কৰাটো সম্ভৱ, আৰু সেয়া সাধাৰণতে ডেৰ ঘণ্টা সময়লৈ থাকে। প্ৰথম দিনৰ পৰা যি আৱহাৱাৰ অৱস্থা আছিল, তাৰ ফলত খেল আৰম্ভ কৰাৰ সম্ভাৱনাটো একেবাৰে কম আছিল। দ্বিতীয় দিনৰ পৰা পুনৰ বৰষুণৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগে জনোৱা মতে বৃহস্পতিবাৰে ৪০ শতাংশ পৰ্যন্ত বৰষুণ হোৱাৰ সম্ভাৱনা আছে, আৰু ডাৱৰৰ আৱৰণ গোটেই দ্বিতীয় দিনটোত স্থিৰ হৈ থাকিব পাৰে। বতৰৰ পূৰ্বানুমান অনুসৰি, বুধবাৰৰ পৰা পৰৱৰ্তী ৫ দিনৰ বাবে বাংগালুৰুত বৰষুণ হোৱাৰ সম্ভাৱনা আছে। প্ৰায় চাৰিদিনেই বৰষুণৰ সম্ভাৱনা ৪০ শতাংশ বা ততোধিক। প্ৰথম আৰু দ্বিতীয় দিনটোত ক্ৰমে ৪১ শতাংশ আৰু ৪০ শতাংশ, তৃতীয় দিনা সৰ্বাধিক ৬৭ শতাংশ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। একে সময়তে বাংগালুৰু টেষ্টৰ চতুৰ্থ দিনা ২৫ শতাংশ আৰু পঞ্চম দিনা ৪০ শতাংশ বৰষুণ হোৱাৰো সম্ভাৱনা আছে। এনে পৰিপ্ৰেক্ষিত সম্পূৰ্ণ মেচখনেই পৰিত্যক্ত হৈ পৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে।

# ফ্ৰান্সৰ তাৰকা ফুটবলাৰ এমবাপেৰ বিৰুদ্ধে ধৰ্ষণৰ গোচৰ

**ষ্টকহোম, ১৬ অক্টোবৰঃ** ফ্ৰান্সৰ তাৰকা ফুটবলাৰ কাইলিয়ান এমবাপেৰ বিৰুদ্ধে উত্থাপিত হৈছে ধৰ্ষণৰ অভিযোগ। ষ্টকহমত সংঘটিত হোৱা এক ধৰ্ষণৰ ঘটনাত নাম সাঙোৰ খাই পৰিছে ফুটবলাৰগৰাকীৰ। স্থানীয় সংবাদ মাধ্যমত প্ৰকাশিত খবৰ অনুসৰি, ফ্ৰান্স আৰু ইজৰাইলৰ খেলৰ দিনা ছুইডেনৰ এটা নাইট ক্লাবত এমবাপেই উক্ত কাণ্ড সংঘটিত কৰিছিল। প্ৰকাশিত বাতৰি অনুযায়ী ফুটবলাৰগৰাকীয়ে তেওঁৰ দলৰ আন আন সদস্যসকলৰ সৈতে এটা নাইট ক্লাবলৈ গৈছিল। তাৰ পৰা উভতি অহাৰ পিছতে এগৰাকী ২৫ বছৰীয়া যুৱতীয়ে ফুটবলাৰগৰাকীৰ বিৰুদ্ধে আৰক্ষীৰ ওচৰত দাখিল কৰিছিল ধৰ্ষণৰ অভিযোগ। স্থানীয় প্ৰশাসনে চৰকাৰী বিবৃতিৰ জৰিয়তে নিশ্চিত কৰিছিল যে ঘটনাটোৰ সৈতে সম্পৰ্কিত এক অভিযোগ দাখিল কৰা হৈছে। উল্লেখ্য যে, এমবাপে এতিয়াও প্ৰাক্তন ক্লাব পিএছজিৰ ওচৰত ৫ কোটি ডলাৰতকৈও অধিক টকাৰ ঋণী হৈ আছে। তেওঁৰ বিৰুদ্ধে আদালতত এতিয়াও চলি আছে গোচৰ। আদালতত বিষয়টোৰ শুনানিৰ ঠিক পূৰ্বে তেওঁৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ উত্থাপন হোৱা সন্দৰ্ভত টুইট কৰি কয় যে, "এয়া সম্পূৰ্ণ ভুৱা খবৰ। শুনানিৰ ঠিক আগতে এয়া হৈছে।" সংবাদ মাধ্যমৰ মতে, যোৱা বৃহস্পতিবাৰে ষ্টকহ'মৰ এটা নাইট ক্লাবত এমবাপে আৰু তেওঁৰ দলটোৱে বহু লোকৰ সৈতে মিলিত হৈছিল।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)